# প্ৰথম অধ্যায়

# প্ৰাচীন আৰু মধ্যযুগত ভাৰতীয় শিক্ষা ব্যৱস্থা

# (Education in Ancient and Medieval India)

- পৌৰাণিক ভাৰত বৰ্ষৰ শিক্ষা (**Education in Ancient India**)
- বৈদিক শিক্ষা ব্যৱস্থা ঃ ধাৰণা (**The Vedic System of Education : Concept**)
- বৈশিষ্ট্যসমূহ (**Sailent Feature**)
- কৌটিল্যৰ অৰ্থশাস্ত্ৰত শিক্ষা (**Education in the Arthashastra of Kautilya**)
- বৌদ্ধ যুগত শিক্ষা (**Education during Buddhist Period**)
- বৌদ্ধিক শিক্ষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ (**General Feature of Buddhist Education**)
- পৌৰাণিক বিশ্ববিদ্যালয়সমূহ আৰু শিক্ষাকেন্দ্ৰসমূহ— তক্ষশীলা, নালন্দা, বিক্ৰমশীলা আৰু বাৰাণসী বা বেনাৰস (**Ancient Universities and Centres of Education : Taxila, Nalanda, Vikramshila and Benaras**)

ব্ৰিটিছসকলৰ আগমনৰ বহু পূৰ্বেই ভাৰতবৰ্ষত নিজ নিজ শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন হৈ আহিছিল। সমাজৰ বিভিন্ন প্ৰয়োজন আৰু ব্যক্তিৰ সামাজিক দায়বদ্ধতাৰ ফলতেই শিক্ষা ব্যৱস্থাৰ আৰম্ভণি। প্ৰচলিত সমাজ ব্যৱস্থা আৰু ৰীতি-নীতিৰ ভিত্তিত প্ৰাচীন শিক্ষাব্যৱস্থায়ো সময়ৰ লগত খাপ খোৱাকৈ গঢ় লৈ উঠিছিল।

প্ৰাচীন ভাৰতবৰ্ষত শিক্ষা ব্যৱস্থা ধৰ্মক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল। যিহেতু হিন্দুধৰ্মক সনাতন ধৰ্ম হিচাপে অভিহিত কৰা হৈছে, গতিকে ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাৰ আৰম্ভণিও হিন্দু ধৰ্মক কেন্দ্ৰ কৰি গঢ় লৈছিল। প্ৰাচীন ধৰ্মগ্ৰন্থসমূহৰ আলম লৈ শিক্ষাব্যৱস্থা আৰম্ভ হৈছিল। বেদ-উপনিষদৰ শ্লোক আৰু ধৰ্মীয় বিচাৰ-বিবেচনা সৰ্বসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ ঋষিমুনি আৰু শাস্ত্ৰজ্ঞসকলে শিক্ষা প্ৰদান কৰিছিল। গতিকে ভাৰতীয় হিন্দু শিক্ষাব্যৱস্থাক বৈদিক শিক্ষা বুলি অভিহিত কৰা হৈছিল। সেই সময়ত শিক্ষাৰ দুৱাৰ সকলোৰে বাবে সমানে খোলা নাছিল। প্ৰাচীন হিন্দু সমাজ চাৰিটা ভাগত বিভক্ত আছিল— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ।

কামৰ ওপৰত এই প্ৰথা প্ৰচলিত হৈছিল যদিও কালক্ৰমত ইয়াৰ ভিত্তিতেই সমাজত জাতি-ভেদৰ সৃষ্টি হয়। পিছলৈ ব্ৰাহ্মণৰ সন্তান, ক্ষত্ৰিয়ৰ সন্তান ক্ষত্ৰিয় ইত্যাদি ৰূপে পৰিগণিত হ'বলৈ ধৰিলে।

ব্ৰাহ্মণসকলৰ কৰ্ম আছিল বেদ-উপনিষদ আদি শাস্ত্ৰসমূহ অধ্যয়ন কৰি জনসাধাৰণৰ মাজত ধৰ্মীয় শিক্ষাৰ প্ৰচাৰ কৰা। পূজা-পাতল কৰা, বিদ্যা লাভ কৰা ইত্যাদি উচ্চ জ্ঞানৰ অধিকাৰী হৈ তেওঁলোক সমাজ ব্যৱস্থাত উচ্চ শ্ৰেণীৰ ব্যক্তি হিচাপে পৰিগণিত হ'বলৈ ধৰিলে। পিছলৈ শিক্ষা গ্ৰহণৰ অধিকাৰ একমাত্ৰ ব্ৰাহ্মণসকলৰ মাজতে সংকুচিত হৈ পৰিল। সেই কাৰণে প্ৰাচীন শিক্ষা ব্যৱস্থাক ব্ৰাহ্মণ শিক্ষা ব্যৱস্থা বুলি অভিহিত কৰা হয়।

প্ৰাচীন শিক্ষা ব্যৱস্থাত শিক্ষাৰ মূল লক্ষ্য আছিল আমাৰ মুক্তি। বস্তুবাদী ভাবধাৰা পৰিহাৰ কৰি আমাৰ লগত পৰমাত্মাৰ মিলনেই হৈছে পৰম সত্য মুক্তি (Ultimate emancipation)। গতিকে প্ৰাচীন ঋষিমুনিসকল সাংসাৰিক বান্ধোনৰ পৰা মুক্ত হৈ অৰণ্যৰ মাজত ধ্যান-চৰ্চা কৰি মানৱ জীৱনৰ সত্যৰ সন্ধান কৰিছিল। এই দৰ্শন মতে জাগতিক বাস্তৱতা হৈছে ভ্ৰান্ত ধাৰণা, ইয়াৰ বিপৰীতে পৰমাত্মাৰ লগত সম্বন্ধ স্থাপন কৰাটোৱেই হৈছে আত্মামুক্তিৰ প্ৰধান উপায়। গতিকে চিত্ত-বৃত্তি নিৰোধেই হৈছে জীৱনৰ প্ৰকৃত দৰ্শন। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীৰ সৰ্বতোপ্ৰকাৰৰ বিকাশেই হৈছে শিক্ষাৰ মূল উদ্দেশ্য।

প্ৰাচীন কালত শিষ্যসকলে সাংসাৰিক বান্ধোনৰ পৰা আঁতৰত থাকি গুৰুৰ চৰণত শিক্ষাৰ আদিপাঠ গ্ৰহণ কৰিছিল। প্ৰাকৃতিক পৰিৱেশত ধ্যান-চৰ্চা। শ্ৰৱণ-কীৰ্তন আৰু মনঃসংযোগৰদ্বাৰা গুৰুৱে প্ৰদান কৰা শিক্ষা আয়ত্ত কৰিছিল। কিতাপৰ বিদ্যা পৰিহাৰ কৰি মানৱৰ সংস্পৰ্শত থাকি ব্যৱহাৰিক জ্ঞান আয়ত্ত কৰিছিল।

গুৰু-শিষ্য পৰম্পৰা প্ৰাচীন শিক্ষাব্যৱস্থাৰ এক উল্লেখযোগ্য দিশ। গুৰুগৃহত থাকি গুৰুৰ ব্যক্তিত্বৰদ্বাৰা প্ৰভাৱান্বিত হৈ তেওঁলোকক অনুকৰণ কৰি জীৱন ধাৰণৰ প্ৰয়োজনীয় গুণ আহৰণ কৰিছিল। গুৰু-শিষ্যৰ সান্নিধ্যত সমাজ জীৱনৰ বাবে প্ৰয়োজনীয় বিষয়সমূহৰ ওপৰত শিক্ষা লাভ কৰিবলৈ সমৰ্থ হৈছিল।

জীৱনৰ ব্যৱহাৰিক শিক্ষা আহৰণ প্ৰাচীন শিক্ষা ব্যৱস্থাৰ আন এটি প্ৰয়োজনীয় দিশ শিষ্যসকলে গুৰুগৃহত থাকি গুৰুৰ বাবে খাদ্য, খৰি, পানী আদি সংগ্ৰহ কৰি আনিছিল, যাৰ ফলত গাৰ্হস্থ্য জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিছিল। তাৰ ফলত তেওঁলোকৰ শ্ৰমৰ গুৰুত্ব বুজাত সহায়ক হৈছিল আৰু সামাজিক কাম-কাজত অংশগ্ৰহণ কৰাৰ সুযোগ পাইছিল।

গুৰুগৃহত পশুপালন, কৃষিকৰ্ম, গাখীৰ উৎপাদন আদি কৰ্মৰ জৰিয়তে তেওঁলোকে জীৱনৰ প্ৰয়োজনীয় অনুশাসন আহৰণ কৰিছিল। ইয়াৰ বিনিময়ত গুৰু আৰু গুৰুপত্নীৰ পৰা পিতৃ-মাতৃৰ স্নেহ লাভ কৰিবলৈ সক্ষম হৈছিল।

বাস্তৱ জীৱনৰ লগত সংগতি ৰাখি শিক্ষা প্ৰদান কৰাটো প্ৰাচীন শিক্ষাব্যৱস্থাৰ আন এক লক্ষ্য। ঋগ্‌বেদত এই সম্পৰ্কে যথেষ্ট আভাস পোৱা যায়। উচ্চ শিক্ষাত জ্ঞান, সংগীত সাধনা আদি দিশৰ ওপৰত যথেষ্ট প্ৰাধান্য দিয়া হৈছিল।

আধুনিক পদ্ধতিৰ 'হাতে-কামে শিকা' শিক্ষা লাভ কৰাৰ ওপৰত প্ৰাচীন কালত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। এই ব্যৱস্থাত জীৱনেই আছিল প্ৰকৃত কৰ্মশালা আৰু তাৰ পৰাই বিভিন্ন দৰ্শনৰ উৎপত্তি হৈছিল।

## প্ৰাচীন কালৰ শিক্ষাৰ বৈশিষ্ট্যসমূহ (Characteristics of Ancient Education)

প্ৰাচীনকালৰ শিক্ষাৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পৰা যায়।

১। **মুক্ত আৰু সহজলভ্য ঃ** প্ৰাচীন কালত শিক্ষা সকলোৰে বাবে মুক্ত আছিল। সমাজৰ সকলো শ্ৰেণীয়েই এই শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। তদুপৰি শিক্ষা সকলোৰে বাবে সহজলভ্য আছিল। যিসকলে শিক্ষা গ্ৰহণত ইচ্ছুক তেওঁলোকে নিজ প্ৰয়োজনমতে শিক্ষা গ্ৰহণ কৰিব পাৰিছিল।

২। **শিক্ষা ব্যৱস্থা ৰাষ্ট্ৰৰ প্ৰভাৱমুক্ত আছিল ঃ** প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ওপৰত ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ নাছিল। সাধাৰণতে ব্ৰাহ্মণসকলে প্ৰত্যক্ষভাৱে শিক্ষাব্যৱস্থা নিয়ন্ত্ৰণ কৰিছিল। ৰজাঘৰে প্ৰয়োজনসাপেক্ষে অৰ্থ আৰু শিক্ষা প্ৰদানৰ বাবে মাটি কৰিছিল। কিন্তু পাঠ্যক্ৰম, শিক্ষক নিযুক্তি আদিৰ ক্ষেত্ৰত কোনো হস্তক্ষেপ কৰিব পৰা নাছিল।

৩। **শিক্ষকৰ স্থান ঃ** প্ৰাচীন শিক্ষাব্যৱস্থাত শিক্ষকৰ স্থান আছিল স্বয়ং ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ সমপৰ্যায়ৰ। আনকি ৰজাসকলেও শিক্ষকক যথেষ্ট সন্মান প্ৰদৰ্শন কৰিছিল। গুৰুসকলেও শিষ্যক সন্তানৰ দৰে মৰম-চেনেহ কৰিছিল। শিক্ষকক সমাজৰ বাটকটীয়া হিচাপে অভিহিত কৰা হৈছিল।

৪। **আৱাসিক ব্যৱস্থা ঃ** শিক্ষা লাভৰ বাবে শিষ্যসকল গুৰুগৃহলৈ গৈ শিক্ষা সমাপ্ত নোহোৱা পৰ্যন্ত বাস কৰিছিল। গতিকে তেতিয়াৰ দিনৰ পৰাই আৱাসিক শিক্ষা ব্যৱস্থাৰ প্ৰচলন আছিল।

৫। **শিক্ষাৰ লক্ষ্য (আত্মবোধ) ঃ** প্ৰাচীন কালৰ শিক্ষাৰ লক্ষ্য জীৱনৰ বাবে প্ৰস্তুতি নাছিল। বৰঞ্চ জীৱনৰ বাহিৰেও আত্মবোধ আৰু আত্মাৰ মুক্তি ইয়াৰ লক্ষ্য আছিল। সাংসাৰিক বান্ধোনৰ পৰা মুক্ত হৈ আত্মাৰ লগত পৰমাত্মাৰ মিলনেই ইয়াৰ উদ্দেশ্য আছিল। আন্ধাৰৰ পৰা পোহৰলৈ, অবাস্তৱৰ পৰা বাস্তৱলৈ আৰু মৃত্যুৰপৰা অমৃতলৈ গমন কৰাই আছিল শিক্ষাৰ মূল লক্ষ্য অৰ্থাৎ মন বা আত্মাক দৈহিক বান্ধোনৰপৰা মুক্ত কৰি পৰমাৰ্থ লাভ কৰাই আছিল শিক্ষাৰ উদ্দেশ্য।

৬। **বৃত্তিমূলক লক্ষ্য ঃ** শিক্ষা গ্ৰহণৰ পাছত সকলোৱে নিজৰ প্ৰয়োজন অনুযায়ী জীৱিকা নিৰ্বাহৰ পথ উলিয়াই লৈছিল। জাতিগত ভিত্তিত সাধাৰণ বৃত্তি নিৰ্বাচন প্ৰথা জড়িত হৈ আছিল। বংশানুক্ৰমিকভাৱে ল'ৰা-ছোৱালীয়ে নিজৰ নিজৰ জীৱিকা নিৰ্বাহৰ পথ নিৰ্বাচন কৰি লৈছিল।

৭। **পাঠ্যক্ৰম ঃ** পাঠ্যক্ৰম জাতিগত বৈশিষ্ট্য অনুযায়ী ভাগ কৰা হৈছিল। ব্ৰাহ্মণসকলৰ বাবে বেদ আৰু বেদান্তৰ শিক্ষা, ক্ষত্ৰিয়ৰ বাবে যুদ্ধবিদ্যা, বৈশ্যসকলৰ বাবে বেপাৰ-বাণিজ্য আৰু শূদ্ৰসকলৰ বাবে শিল্প, কৃষি আদি বিদ্যা অন্তৰ্ভুক্ত কৰা হৈছিল।

৮। **শিক্ষাদানৰ পদ্ধতি ঃ** সাধাৰণতে বেদৰ শ্লোকসমূহ মুখস্থ মাতি শিক্ষা আহৰণ কৰা হৈছিল। গুৰুৱে শিষ্যক শ্লোকসমূহ মাতি শুনায় আৰু শিষ্যয়ো গুৰুৰ আগত সেইবোৰ অনুশীলন কৰে। তদুপৰি আন আন শিক্ষা হাতে-কামে শিকোৱা হৈছিল। অস্ত্ৰবিদ্যা, ধনুৰ্বিদ্যা খেতিপথাৰত কাম আদি হাতে-কামে কৰি দেখুওৱা হৈছিল।

৯। **নৈতিক, ধৰ্মীয় আৰু আধ্যাত্মিক শিক্ষা ঃ** সেই সময়ত শিক্ষাব্যৱস্থা একমাত্ৰ শিক্ষাৰ বাবেই আছিল। শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা প্ৰদান কৰা হৈছিল। তদুপৰি শিক্ষাৰ লগত নৈতিক, ধৰ্মীয় আৰু আধ্যাত্মিক দিশো সাঙোৰ খাই আছিল।

১০। **প্ৰাকৃতিক পৰিৱেশৰ মাজত শিক্ষা ঃ** বৰ্তমান যুগৰ নিচিনাকৈ তেতিয়া আনুষ্ঠানিক শিক্ষাব্যৱস্থাৰ প্ৰচলন আছিল। কোলাহলৰ পৰা আঁতৰত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত শিক্ষাৰ্থীক প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰা হৈছিল। প্ৰকৃতি আৰু মানৱৰ মাজত এক সম্পৰ্ক গঢ়ি উঠিছিল।

১১। **শিক্ষাৰ মাধ্যম ঃ** প্ৰাচীন শিক্ষাব্যৱস্থা সংস্কৃত ভাষাৰ মাধ্যমেৰে প্ৰদান কৰা হৈছিল। সাধাৰণতে সংস্কৃত ভাষা ব্ৰাহ্মণসকলৰ দ্বাৰা আয়ত্ত কৰা হৈছিল। যিহেতু বেদ-উপনিষদসমূহ সংস্কৃত ভাষাত ৰচিত হৈছিল, গতিকে শিক্ষাৰ মাধ্যমো আছিল সংস্কৃত ভাষা।

১২। **আত্মঅনুশাসন আৰু আত্মনিয়ন্ত্ৰণ ঃ** ছাত্ৰসকলক আত্মানুশাসনৰ কঠোৰ নিয়ম পালন কৰিবলৈ বাধ্য কৰা হৈছিল। তদুপৰি বিভিন্ন কৰ্ম আৰু নীতি-নিয়মৰ মাজেৰে আত্মনিয়ন্ত্ৰণ কৰিবলৈ উৎসাহ যোগোৱা হৈছিল। ছাত্ৰাৱস্থাৰ নীতি-নিয়ম ভংগ কৰিলে কঠোৰ শাস্তিৰ বিধান দিয়া হৈছিল।

১৩। **নাৰী শিক্ষা ঃ** প্ৰাচীন শিক্ষাব্যৱস্থাত নাৰী শিক্ষাৰ প্ৰচলন থকা দেখা যায়। বৈদিক আৰু উপনিষদৰ যুগত নাৰীৰ উপনয়ন অনুষ্ঠান পালন কৰা হৈছিল। তেওঁলোকে কিছু নীতি-নিয়ম পালন কৰি বেদ, বেদান্ত আৰু আন আন বিষয়ৰ শিক্ষা গ্ৰহণ কৰিছিল।

১৪। **শিক্ষাৰ বাবে পাঠ্যক্ৰম ঃ** প্ৰাচীন শিক্ষাব্যৱস্থাত জ্যোতিৰ্বিদ্যা, অংকশাস্ত্ৰ, ৰসায়নবিদ্যা আৰু জীৱবিদ্যাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছিল। বাণিজ্য শিক্ষা মনুৰ দিনৰ পৰা প্ৰচলন হোৱা দেখা যায়। অংকশাস্ত্ৰৰ ক্ষেত্ৰত আৰ্যভট্টৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

## বৈদিক পদ্ধতিৰ শিক্ষাৰ ধাৰণা (Concept of Vedic Education System) ঃ

প্ৰাচীন ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা সময় অনুযায়ী বিভিন্ন ভাগত ভাগ কৰা হৈছে। এই ভাগসমূহ এনেধৰণৰ—

| | |
|---|---|
| প্ৰাচীন ভাৰতবৰ্ষৰ শিক্ষা | ঃ ৫০০০ খ্ৰী.পূ.ৰ পৰা ২০০ খ্ৰীষ্টাব্দ |
| ব্ৰাহ্মণ্য শিক্ষা ব্যৱস্থা (বৌদ্ধ শিক্ষা ব্যৱস্থা অন্তৰ্গত) | ঃ ২০০ খ্ৰীষ্টপূৰ্বৰ পৰা ৬৫০ খ্ৰীষ্টাব্দ |
| মধ্যযুগৰ শিক্ষা ব্যৱস্থা (ইছলামীয় ব্যৱস্থা অন্তৰ্গত) | ঃ ৬৫০খ্ৰীষ্টাব্দৰ পৰা ১৭০০ খ্ৰীষ্টাব্দ |
| আধুনিক শিক্ষা ব্যৱস্থা | ঃ ১৭০০ খ্ৰীষ্টাব্দৰ পৰা বৰ্তমানলৈ |

বৈদিক যুগত শিক্ষাৰ অৰ্থ প্ৰধানকৈ চাৰিটা দিশত ব্যাখ্যা কৰা হৈছিল। সেইকেইটা হৈছে—

১। ব্যক্তিৰ মন আলোকিত কৰা,

২। মানৱ শক্তিৰ বিকাশৰ দিশত গুৰুত্ব প্ৰদান কৰা,

৩। শাৰিৰীক বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা,

৪। পুথিগত বিদ্যাৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান নকৰা।

বৈদিক শিক্ষাৰ মতে শিক্ষা ব্যৱস্থাই ব্যক্তিৰ মানসিক দিশ জ্ঞানৰ আগৰে আলোকিত কৰি তুলিব লাগে। জীৱনত সঠিক পথ প্ৰদৰ্শন কৰি শুদ্ধ চিন্তাৰে কাম কৰিবলৈ শিক্ষাই ব্যক্তিক সহায় কৰিব লাগে। জ্ঞানৰ জ্যোতিৰে আলোকিত কৰিব নোৱাৰিলে শিক্ষাৰ প্ৰকৃত অৰ্থ প্ৰতিফলিত নহয়।

যেতিয়াই জ্ঞানৰ জ্যোতি আলোকিত হ'ব তেতিয়াই ব্যক্তিৰ চিন্তাধাৰা সলনি হ'ব। ইয়াৰ ফলত ব্যক্তিত্বৰ পৰিৱৰ্তন হোৱা দেখা যায়। শিক্ষাই ব্যক্তিক সভ্য কৰি তোলাৰ লগতে তেওঁলোকৰ মানসিকতা সলনি কৰি একোজন সংস্কৃতিবান ব্যক্তি হিচাপে গঢ়ি তোলে। সকলো অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা মুক্ত হৈ  নৈতিকভাৱে শক্তিশালী হ'বলৈ শিক্ষাই সহায় কৰে।

প্ৰাচীন শিক্ষা ব্যৱস্থাত ব্যক্তিৰ শাৰিৰীক বিকাশৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। এটা সুস্থ শৰীৰতহে সুস্থ মনৰ সৃষ্টি হয়। গতিকে শিক্ষাৰ পাঠ্যক্ৰমত শাৰিৰীক বিকাশৰ সহায় হোৱাকৈ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিব লাগে।

জ্ঞানৰ জ্যোতিৰে আলোকিত হ'বলৈ একমাত্ৰ পুথিগত বিদ্যাই সহায় নকৰে। পুথিগত বিদ্যাত জীৱন ধাৰণৰ উপযোগী সকলো বিদ্যা লাভ কৰিব নোৱাৰি। গতিকে বিভিন্ন অভিজ্ঞতা, পৰিবেশ তথা জ্ঞানী ব্যক্তিৰ সান্নিধ্যই মনৰ দিগন্ত প্ৰসাৰিত কৰে। গতিকে একমাত্ৰ পুথিগত বিদ্যাৰ ওপৰত গুৰুত্ব দিয়াটো উচিত নহয়।

প্ৰাচীন বৈদিক শিক্ষা ব্যৱস্থা বেদক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল। ঋক্, যজুঃ, সাম আৰু অথৰ্ব— এই চাৰিখন বেদৰ শ্লোকসমূহ ঃ

**(ক) শিক্ষাক তৃতীয় দৃষ্টি হিচাপে জ্ঞান কৰা (Third Eye of Man) ঃ** বৈদিক যুগত গুৰুসকলক পোহৰ সন্ধানী হিচাপে জ্ঞান কৰা হৈছিল। শিক্ষাক ব্যক্তিৰ তৃতীয় দৃষ্টিশক্তি হিচাপে গণ্য কৰা হৈছিল। শিক্ষাই ব্যক্তিক পোহৰ তথা সৎ পথৰ সন্ধান দিয়ে।

**(খ) শিক্ষা হৈছে জগতৰ পোহৰ (Vidya–the light of the world) ঃ** বিদ্ শব্দৰপৰা বিদ্যা শব্দটিৰ উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হৈছে জ্ঞান বা পোহৰ। শিক্ষাই আন্ধাৰৰপৰা পোহৰলৈ লৈ যায়। জগত ৰহস্যময়, শিক্ষাই এই ৰহস্যভেদৰ সন্ধান দিয়ে। জ্ঞানে জ্যোতিৰ সৃষ্টি কৰি শিক্ষাৰ্থীক সত্যপথৰ সন্ধান কৰাৰ সুবিধা প্ৰদান কৰে।

**(গ) শিক্ষাৰ মূল কেন্দ্ৰবিন্দু ব্ৰাহ্মণ পণ্ডিতসকল (Main Source of Education is the Brahmin or Guru) ঃ** শিক্ষাৰ অধিষ্ঠাত্ৰী দেৱীক ব্ৰাহ্মণসকলৰদ্বাৰা আৰাধনা কৰা হয়। যিগৰাকী ব্যক্তি পবিত্ৰ, স্থিৰ, অত্যুসংযমী, দৃঢ় তথা বুধিয়ক তেওঁলোক শিক্ষা লাভৰ বাবে যোগ্য। সাধাৰণতে বৈদিক যুগত ব্ৰাহ্মণসকলক এই গুণৰ অধিকাৰী বুলি বিবেচনা কৰা হৈছিল আৰু তেওঁলোকক শিক্ষা লাভৰ বাবে যোগ্য উত্তৰাধিকাৰী হিচাপে গণ্য কৰা হৈছিল।

**(ঘ) শিক্ষা হৈছে আত্ম-মুক্তিৰ উপায় (Means of Solution) ঃ** বৈদিক শিক্ষাৰ মূল ধাৰণা হৈছে যে শিক্ষাই ব্যক্তিক আত্মমুক্তিৰ পথ দেখুৱাব পাৰে। শিক্ষাত ধৰ্মীয় চিন্তা আৰু অনুভূতিয়ে মুখ্য স্থান পাইছিল। শিক্ষাই ব্যক্তিৰ মনত জ্যোতিৰ সৃষ্টি কৰি আত্মবোধ আৰু আত্মসংযম কৰাৰ শক্তি প্ৰদান কৰে। আত্মসংযমৰ মাজেৰে মোক্ষ প্ৰাপ্তি হয়।

**(ঙ) পশুত্বৰপৰা মনুষ্যত্বলৈ পৰিবৰ্তন কৰাত সহায় কৰে (Education transforms animal instincts into human products) ঃ** শিক্ষাই ব্যক্তিক পশুত্বৰপৰা মনুষ্যত্বলৈ পৰিবৰ্তিত কৰে। যিহেতু শিক্ষাই জ্ঞানৰ আভাৰে ব্যক্তিৰ মন আলোকিত কৰে গতিকে পোহৰ তথা জ্ঞানৰ সহায়ত তেওঁলোকে প্ৰকৃত পথ বিচাৰ ল'ব পাৰে। শিক্ষাৰ সহায়ত মানৱ জীৱনৰ সমবিকাশ যেনে—দৈহিক, মানসিক, বৌদ্ধিক, আৱেগিক তথা আধ্যাত্মিক জীৱনৰ সমভাৱে বিকাশ সাধন হয়। এই বিকাশ তথা জ্ঞানে মানৱক পশুৰ পৰা পৃথক কৰে। শিক্ষাৰ মূল কেন্দ্ৰবিন্দু আছিল। বেদ শব্দটি 'বিদ্' শব্দৰপৰা উৎপত্তি হোৱা বুলি অনুমান কৰা হয়। যাৰ অৰ্থ হৈছে— 'to know' জানিবলৈ চেষ্টা কৰা। ধৰ্মৰদ্বাৰা ব্যক্তিৰ শুদ্ধ চিন্তা আৰু শুদ্ধ কৰ্মৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। জগতৰ সৃষ্টিকৰ্তা ব্ৰহ্মাক বেদৰ যোগেৰে জানিব পৰা যায়। মানৱজাতিয়ে নিজকে জাগতকি মায়া-মোহৰপৰা ৰক্ষা কৰি প্ৰকৃত মুক্তি পাবলৈ পুৰুষাৰ্থ কৰিব লাগে। কাম, অৰ্থ, মোক্ষ, আৰু ধৰ্মৰ মাজেৰে নিজৰ উদ্দেশ্য পূৰণ কৰিবলৈ পুৰুষাৰ্থ কৰা উচিত।

## শিক্ষাৰ ধাৰণা (Concept of Education) ঃ

বৈদিক শিক্ষা ব্যৱস্থা বেদ-উপনিদক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল। ঋষি-মুনিসকলৰ গুৰুকুলত শিষ্যসকলক এই শিক্ষা প্ৰদান কৰিছিল। বৈদিক শিক্ষা আধ্যাত্মিক তথা জাগতিক বিষয়ক কেন্দ্ৰ কৰি গঢ় দিয়া হৈছিল। শিক্ষাৰ অৰ্থ আছিল 'জ্যোতি' নাইবা পোহৰৰ সন্ধান দিয়া। শিক্ষাৰ্থীৰ মনৰপৰা অজ্ঞানৰূপী অন্ধকাৰ বিকাশ কৰি তেওঁলোকক সত্য তথা পোহৰৰ সম্ভেদ দিয়া। 'তমসো মা জ্যোতিৰ্গময়' (Lead kindly light)। এই শিক্ষা ব্যৱস্থাৰ মূল ধাৰণা আছিল।

## বৈদিক শিক্ষা ব্যৱস্থাৰ মূল বিষয়বস্তু (Content of Vedic Education) :

প্ৰাচীন বৈদিক সংস্কৃতি আৰু পৰম্পৰা অতি চহকী আছিল। এই শিক্ষা ব্যৱস্থাত বিভিন্ন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছিল। সেইবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পৰা যায়।

| | | |
|---|---|---|
| ১। চৈধ্য বিদ্যা | চাৰিবেদ | |
| | শিক্ষা | |
| | নিৰুক্ত | |
| | চন্দ | |
| | জ্যোতিষ | |
| | ব্যাকৰণ | |
| | ধৰ্ম | |
| | মীমাংসা | |
| | তৰ্ক বা ন্যায় | |
| | পুৰাণ | |
| ২। ভাষা আৰু সাহিত্য | আখৰ লিখন | |
| | শব্দবিদ্যা — | উচ্চাৰণ |
| | | বাক্য গঠন |
| | | শব্দ অৰ্থ |
| | | ব্যাকৰণ |

৩। ব্যাকৰণ অধ্যয়ন

৪। দৰ্শন বিদ্যা

৫। শিল্প বিদ্যা নাইবা চাৰু-কাৰু কলা অধ্যয়ন

৬। বৃত্তিগত বিষয়ৰ প্ৰশিক্ষণ

বৈদিক শিক্ষা ব্যৱস্থাত চাৰিবেদ অধ্যয়ণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। চৈধ্য বিদ্যাৰ ভিতৰত সমগ্ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল। শিক্ষাৰ ভিতৰত ভাষা আৰু সাহিত্যচৰ্চা অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল। আখৰ আৰু বৰ্ণমালাৰ জ্ঞান গৃহতে প্ৰদান কৰা হৈছিল যদিও গুৰুগৃহত শিষ্যসকলে শব্দ-বিদ্যা আৰু উচ্চাৰণ বিদ্যাৰ জ্ঞান লাভ কৰিছিল। ইয়াৰোপৰি শব্দ আৰু বাক্য গঠনৰ, শব্দাৰ্থ আৰু ব্যাকৰণ বিদ্যাৰ জ্ঞান প্ৰদান কৰা হৈছিল।

ব্যাকৰণ মুখস্থ আৰু অভ্যাস কৰি বাক্য গঠন প্ৰণালীৰ বিজ্ঞানসন্মত জ্ঞান দিবলৈ প্ৰয়াস কৰা হৈছিল। ইয়াৰ উপৰিও যুক্তিসংগঠনভাৱে চিন্তাচৰ্চা কৰি শিকিবলৈ দৰ্শন তথা তৰ্কশাস্ত্ৰৰ জ্ঞান আহৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। ধৰ্মতত্ত্ব যুক্তিৰে বিবেচনা কৰি চাবলৈ তৰ্কশাস্ত্ৰৰ জ্ঞান প্ৰদান কৰা হৈছিল।

চাৰুকলা তথা শিল্পবিদ্যাৰ জ্ঞানৰ জৰিয়তে সৌন্দৰ্যমূলক জ্ঞান দিবলৈ শিল্পবিদ্যা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল।

আয়ুৰ্বেদ, জ্যোতিৰ্বিদ্যা, গণিত, অস্ত্ৰবিদ্যা, অৰ্থশাস্ত্ৰ ইত্যাদি বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি শিক্ষাৰ্থীক জীৱন আৰু জগতৰ বিষয়ে সামগ্ৰিক জ্ঞান দিবলৈ চেষ্টা কৰা হৈছিল। শিক্ষাৰ্থীয়ে নিজ পছন্দ আৰু যোগ্যতা অনুযায়ী নিজ নিজ পাঠ্যক্ৰম নিৰ্বাচন কৰি লোৱাৰ সুবিধা বৈদিক যুগত আছিল।

## বৈদিক শিক্ষাব্যৱস্থাৰ বৈশিষ্ট্যসমূহ (General Features of Vedic System of Education)

বৈদিক শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ এনেধৰণে আলোচনা কৰিব পৰা যায় ঃ

**১। দ্বিখণ্ডিত শিক্ষা (Two Segments of Education) :**

বৈদিক শিক্ষা পদ্ধতিত জ্ঞান আহৰণ কৰা কাৰ্য দুই ভাগত ভাগ কৰা হৈছিল — ভৌতিক আৰু বৌদ্ধিক তথা আধ্যাত্মিক। ভৌতিক শিক্ষা বস্তুগত পৃথিৱীৰপৰা আহৰণ কৰিব পৰা যায় আৰু আনবিধ আধ্যাত্মিকতাৰ পৰা লাভ কৰিব পাৰি। ইয়াৰ জৰিয়তে প্ৰকৃত মুক্তি (Moksha) লাভ কৰিব পৰা যায়।

**২। শিক্ষাৰ লক্ষ্য (Aims of Education) :**

শিক্ষাৰ লক্ষ্য হৈছে শিশুক জীৱনৰ বাবে প্ৰস্তুত কৰি তোলা। পাৰমাৰ্থিক তত্ত্ব উপলব্ধি কৰি আত্মোপলব্ধি কৰিব পৰাই শিক্ষাৰ প্ৰকৃত লক্ষ্য। বৈদিক শিক্ষা হিন্দু ধৰ্মৰ লগত জড়িত আছিল। শিক্ষাৰদ্বাৰা মানৱ জীৱনৰ চৰম মুক্তি (Salvation)ৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। নৈতিক বিকাশৰ উপৰিও শিশুক সুস্থ 'সামাজিক জীৱনৰ বাবে তৈয়াৰ কৰাটোৱেই শিক্ষা লক্ষ্য আছিল।

**৩। শিক্ষা পদ্ধতি (Method of Teaching) :** শিক্ষা প্ৰদানৰ প্ৰধান মাধ্যম আছিল মৌখিক। শিক্ষকে প্ৰদান কৰা শিক্ষা মৌখিকভাৱে নাইবা স্মৰণ কৰি আয়ত্ব কৰাটো শিক্ষাৰ্থীৰ কৰ্তব্য আছিল যদিও কিছু কিছু ক্ষেত্ৰত লিখা-পঢ়া নাইবা গণনা কৰা শিক্ষাও প্ৰদান কৰা হৈছিল। শিক্ষকে প্ৰতিজন শিশুক ব্যক্তিগতভাৱে মনোযোগ দিছিল। উচ্চ পৰ্যায়ত গুৰু আৰু শিষ্যৰ মাজত বেদ সম্পৰ্কীয় আলোচনাই স্থান পাইছিল।

**৪। পাঠ্যক্ৰম (Curriculum) :** শিক্ষাৰ বাবে প্ৰচলিত পাঠ্যক্ৰমত কাৰ্যকৰী শিক্ষাৰ জ্ঞান লাভৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। শিক্ষাৰ্থীৰ বাস্তৱ জীৱনৰ জ্ঞান আৰু ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় জ্ঞান আহৰণেই শিক্ষাৰ প্ৰধান লক্ষ্য আছিল। শিশুৰ প্ৰয়োজন অনুযায়ী ভিন ভিন বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছিল। উদাহৰণস্বৰূপে — ব্ৰাহ্মণৰ বাবে বেদজ্ঞান, ক্ষত্ৰিয়ৰ বাবে সমৰকলা, বৈশ্যৰ বাবে খনিজ আৰু শূদ্ৰৰ বাবে খেতি-বাতি তথা অন্যান্য জীৱন ধাৰণৰ জ্ঞান ইত্যাদি।

**৫। অনুশাসন (Discipline) :**

বৈদিক শিক্ষা ব্যৱস্থাত কঠোৰ অনুশাসন মানি চলা হৈছিল। গুৰুৰ আদেশ শিষ্যই বিনাদ্বিধাই মানি চলিছিল। যিহেতু শিষ্যসকল গুৰুৰ পৰিয়ালৰ সদস্যৰ দৰে আছিল গতিকে গুৰুৰ আদেশ কোনোৱে উলংঘা কৰা নাছিল। সাধাৰণ জীৱন-যাপন কৰি উন্নত চিন্তা কৰাই (Simple living and high thinking) শিক্ষাৰ মূল উদ্দেশ্য আছিল। ৰাজহুৱা শাস্তিৰ বিধান আছিল।

**৬। শিক্ষকৰ স্থান (Status of the Teacher) :**

শিক্ষকক গুৰুৰ আসনত উপবিষ্ট কৰা হৈছিল। গুৰুৰ নৈতিকতা আৰু আধ্যাত্মিকতা অতিশয় উচ্চ আৰু উন্নত আছিল। গুৰুৰ শিক্ষা সম্পূৰ্ণৰূপে জ্ঞানপিপাসু আৰু ঐকান্তিক আছিল। বস্তুগত দিশৰ লোভ সম্বৰণ কৰি সম্পূৰ্ণ মানৱসেৱকৰূপে শিক্ষা প্ৰদান কৰিছিল। গুৰুৰ জীৱন নিৰ্বাহৰ প্ৰণালী সৰল আৰু পবিত্ৰ আছিল। বিষয়বস্তুৰ ওপৰত অগাধ পাণ্ডিত্য আহৰণ কৰাৰ উপৰিও ধৰ্মীয় ৰীতি-নীতি সম্পূৰ্ণৰূপে মানি চলিছিল। সমাজত গুৰুৰ স্থান উচ্চ আছিল আৰু ৰজা-প্ৰজা উভয়ে গুৰুৰ আদেশ পালন কৰি চলিছিল।

**৭। শিক্ষক শিক্ষাৰ্থীৰ সম্পৰ্ক (Relation between teachers and students) :**

যিহেতু গুৰুকুল প্ৰথাত ছাত্ৰ-শিক্ষকৰ অনুপাত যথেষ্ট কম আছিল, শিক্ষাৰ্থীসকল শিক্ষকৰ লগত এক ঘইনষ্ঠ আন্তঃসম্পৰ্ক ৰক্ষা কৰিছিল। শিক্ষকে ছাত্ৰক নিজ সন্তানৰ দৰে মৰম কৰিছিল আৰু ছাত্ৰসকলেও শিক্ষকক নিজ পিতৃ-মাতৃৰ দৰে জ্ঞান কৰিছিল। যদিও তেওঁলোকৰ সম্পৰ্ক অনানুষ্ঠানিক আছিল তথাপিও অনুশাসন ৰক্ষা কৰাৰ ক্ষেত্ৰত শিক্ষকসকল যথেষ্ট কঠোৰ আছিল আৰু ছাত্ৰসকলেও গুৰুক সমীহ কৰি চলিছিল।

**৮। নাৰী শিক্ষা (Women Education) :**

বৈদিক যুগৰ আদিতে নাৰী শিক্ষা সকলোৰে বাবে গ্ৰহণযোগ্য আছিল। শিক্ষা গ্ৰহণ কৰিব বিচৰা নাৰীক পুৰুষৰ দৰেই শিক্ষা গ্ৰহণৰ অধিকাৰ প্ৰদান কৰা হৈছিল। শিক্ষা গ্ৰহণ কৰাৰ নাৰীক বিদূষী আখ্যা দিয়া হৈছিল। কিন্তু পিছলৈ নাৰীৰ স্থান সমাজত কিছু পৰিমাণে হেয় হোৱা দেখা যায়। পুৰুষসকলতকৈ নাৰীক দুৰ্বল বুলি গণ্য কৰা হয়।

**৯। সকলোৰে বাবে শিক্ষা (Education for all) :**

বৈদিক যুগৰ আগৰ কালছোৱাত শিক্ষা ব্যৱস্থা সকলোৰে বাবে মুক্ত আছিল। পুৰুষ-মহিলা, জাতি, বৰ্ণ নিৰ্বিশেষে সকলোৱে শিক্ষা গ্ৰহণ কৰিব পাৰিছিল।

**১০। শাৰিৰীক শিক্ষা (Physical Education) :**

বৈদিক শিক্ষা ব্যৱস্থাত শাৰীৰিক বিকাশ শিক্ষাৰ এক প্ৰধান উদ্দেশ্য আছিল। যোগবিদ্যা, মোক্ষপ্ৰাপ্তি

ইত্যাদি কঠিন অনুশীলন শাৰীৰিক সুস্থতাৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰ কৰে। গতিকে প্ৰথমে ব্যক্তি শাৰীৰিকভাৱে সুস্থ-সবল হোৱাটো বাঞ্চনীয়।

## বৈদিক শিক্ষাৰ নীতি (Principles of Vedic Education) :

বৈদিক নাইবা প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত কিছুমান নীতি পালন কৰা হৈছিল। সেই নীতিসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

**(ক) শিক্ষা ভৰ্ত্তিৰ বয়স (Age of entrance) :**

উপনয়ন অনুষ্ঠানৰ জৰিয়তে শিক্ষাত প্ৰবেশ কৰাৰ ব্যৱস্থা আছিল। ৪-৯ বছৰ বয়সৰ ভিতৰত এই অনুষ্ঠান পালন কৰা হৈছিল। তাৰ পিছতেই গুৰুগৃহলৈ শিক্ষা গ্ৰহণৰ বাবে পঠিওৱা হৈছিল।

**(খ) গুৰুকুল ব্যৱস্থা (Gurukul System) :**

গুৰুকুল প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থাৰ অন্যতম। শিষ্যসকলে শিক্ষা লাভৰ বাবে গুৰুগৃহলৈ যাবলগীয়া হৈছিল। গুৰুকুলত গুৰুৱে শিষ্যৰ থকা-খোৱাৰ দায়িত্ব লৈছিল।

**(গ) নিয়মানবৰ্ত্তিতা (Routine) :**

শিক্ষাৰ্থীৰ দৈনন্দিন নিয়মানুৱৰ্ত্তিতা কঠোৰভাৱে পালন কৰা হৈছিল। সোনকালে বিছনালৈ যোৱা আৰু সোনকালে টোপনিৰপৰা জাগি উঠা নিয়ম কঠোৰভাৱে শিক্ষাৰ্থীয়ে মানি চলিছিল। সাধাৰণ জীৱন-যাৱন আৰু উচ্চ পৰ্যায়ৰ চিন্তা শিষ্যসকলে অনুশাসন হিচাপে মানি লৈছিল।

**(ঘ) কঠোৰ ব্ৰত পালন (Celibacy) :**

শিষ্যসকলে দৈনন্দিন জীৱনৰ ব্ৰত কঠোৰভাৱে পালন কৰি চলিছিল। তেওঁলোকে একোটা পবিত্ৰ জীৱন-যাপন কৰিছিল।

**(ঙ) শাস্তি (Punishment) :**

গুৰুৱে শিষ্যক দোষ অনুযায়ী শাস্তি প্ৰদান কৰিছিল।

**(চ) শিক্ষাদান পদ্ধতি (Method of Teaching) :**

গুৰুগৃহত সমূহীয়া পাঠদানৰ পৰিবৰ্তে ব্যক্তিগত শিক্ষাদানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। শিষ্যসকলৰ আভ্যন্তৰীণ গুণাৱলীৰ বিকাশ সাধনৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল।

**(ছ) ব্যৱহাৰিক জ্ঞান (Practical Knowledge) :**

বৈদিক শিক্ষা ব্যৱস্থাত ব্যৱহাৰিক জ্ঞানৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। তাত্ত্বিক বিদ্যাৰ ওপৰত জোৰ দিয়া হোৱা নাছিল।

**(জ) চৰিত্ৰ গঠন (Character Building) :**

শিক্ষাৰ মাজেৰে শিক্ষাৰ্থীৰ চৰিত্ৰ বিকাশৰ ওপৰত প্ৰাধান্য দিয়া হৈছিল। চৰিত্ৰ গঠনৰ অনুশীলনৰ বাবে শিষ্যসকলে কঠোৰ ব্ৰত পালন কৰিছিল।

## বৈদিক শিক্ষাব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ (Aims and Objectives of Vedic Education)

শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ জীৱনৰ আদৰ্শৰ লগত সম্বন্ধিত। প্ৰাচীন শিক্ষা ব্যৱস্থাত আধ্যাত্মিক দিশৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। আধ্যাত্মিক চেতনাৰ দ্বাৰা উদ্বুদ্ধ হোৱা হেতুকে ব্যক্তি নৈতিক দিশত অধিক শক্তিশালী আছিল। শিক্ষাৰ মূল লক্ষ্য আছিল মূল্যবোধৰ আহৰণ। নৈতিক, আধ্যাত্মিক আৰু ধৰ্মীয় মূল্যবোধৰ জ্ঞানেহে ব্যক্তিক সম্পূৰ্ণৰূপে জ্ঞানী কৰি তোলে বুলি ভবা হৈছিল। শিক্ষাৰ মূল কাৰ্য আছিল সৰ্বোচ্চ মূল্যবোধৰ উদ্ভাৱন কৰা আৰু বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকৃত সত্য নিৰূপণ কৰা যাতে ইয়াৰদ্বাৰাই ব্যক্তিয়ে জীৱনৰ প্ৰকৃত তথ্যৰ সন্ধান দিব পাৰে। জীৱন আৰু শিক্ষাৰ মূল উদ্দেশ্য আছিল ব্যক্তিক একোজন আদৰ্শ ব্যক্তি ৰূপত গঢ় দি তোলা। শিক্ষাৰ উদ্দেশ্য আছিল ব্যক্তিক সৎ, সম্পূৰ্ণ আৰু আদৰ্শবান হিচাপে গঢ়ি তোলা। প্ৰাচীন কালত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য তলত দিয়া ধৰণৰ আছিল—

১। **ধৰ্মীয় অনুভূতি আৰু ধৰ্মীয় আস্থাৰ প্ৰকাশ (Religious faith and belief) ঃ** বৈদিক ভাৰতীয় শিক্ষা ব্যৱস্থাত ধৰ্মক প্ৰধান স্থান দিয়া হৈছিল। শিক্ষাৰ্থীৰ মনত ধৰ্মীয় সংবেদন জাগ্ৰত কৰাটো শিক্ষাৰ মূল উদ্দেশ্য আছিল। শিক্ষানুষ্ঠানত প্ৰৱেশ কৰাৰ আগতে শিক্ষাধৰ্মীয় কিছুমান পবিত্ৰ আনুষ্ঠানিকতা পালন কৰাটো বাধ্যতামূলক আছিল। ইয়াত আধ্যাত্মিকতাক অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। পুৰোহিতসমাজে সাধাৰণতে শিক্ষা প্ৰচাৰ কৰিছিল। গতিকে শিষ্যৰ মনত প্ৰথমে ধৰ্মীয় আস্থা আৰু অনুভূতিৰ আত্মপ্ৰকাশ হৈছিল। ইয়াৰ বাবে নিম্নোক্ত ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছিল।

(ক) শিষ্যসকলে উপবাসে থাকিবলগা হৈছিল আৰু শিক্ষাৰ সমাপ্তিৰ পাছত আহাৰ গ্ৰহণ কৰিব পাৰিছিল।

(খ) তেওঁলোকে পুৱা আৰু গধূলি ভগৱানক প্ৰাৰ্থনা কৰিব লগা হৈছিল।

(গ) গুৰুগৃহত প্ৰত্যেক মাহতে ধৰ্মীয় অনুষ্ঠান পালন কৰা হৈছিল। ইয়াৰ মাধ্যমত শিক্ষাৰ্থীৰ মনত আধ্যাত্মিক মনোভাবৰ সৃষ্টি কৰা হৈছিল।

(ঘ) শিক্ষাৰ্থীক আত্মসংযমৰ জ্ঞান প্ৰদান কৰা হৈছিল। শিক্ষা সমাপ্তিৰ পাছত ছাত্ৰসকল গৃহাভিমুখী হৈ গাৰ্হস্থ্য জীৱন যাপন কৰিছিল। কিছুমান শিষ্যই ব্ৰহ্মচাৰী ব্ৰত ধাৰণ কৰি ধৰ্মনিষ্ঠাৰ কামত জীৱন যাপন কৰিছিল।

২। **পাৰমাৰ্থিক তত্ত্বৰ উপলব্ধি (Relization of spirituality) ঃ** শিক্ষাৰ উদ্দেশ্য আছিল বাস্তৱিক জগতৰ বাহিৰৰ পৰমাৰ্থ জ্ঞানৰ সোৱাদ লাভ কৰা। কৰ্ম আৰু ধ্যান যোগৰদ্বাৰা আত্মাৰ পৱিত্ৰতা ৰক্ষা কৰি, অসৎ কৰ্মৰ পৰা আঁতৰি থাকি পৰলোকত শান্তিৰে বাস কৰাই আছিল শিক্ষাৰ মূল উদ্দেশ্য। এইখন পৃথিৱীত থাকি ব্যক্তি জীৱনৰ সকলো কৰ্ম আৰু দায়িত্ব পালন কৰাৰ লগতে মৃত্যুৰ পিছৰ সদ্‌গতি প্ৰাপ্তিৰ বাবে ধৰ্মীয় অনুষ্ঠান পালনেৰে আত্মশুদ্ধি কৰিছিল।

৩। **চৰিত্ৰ গঠন (Character Formation) ঃ** বৈদিক শিক্ষা ব্যৱস্থাত একমাত্ৰ বৌদ্ধিক দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল। বৌদ্ধিক দিশত মানবীয় গুণৰ অন্তৰ্ভুক্ত কৰাটো শিক্ষাৰ অন্যতম উদ্দেশ্য আছিল। চাৰিত্ৰিকভাৱে শক্তিশালী ব্যক্তি সামাজিকভাৱে গ্ৰহণযোগ্য আছিল। চৰিত্ৰ গঠন কৰাটো শিক্ষাৰ মূল উদ্দেশ্য হিচাপে পৰিগণিত কৰা হৈছিল। ইয়াৰ বাবে কঠোৰ অনুশাসন পালনৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হৈছিল। শিক্ষাৰ দ্বাৰা শিক্ষাৰ্থীক চৰিত্ৰ গঠন কৰিবলৈ অনুপ্ৰাণিত কৰা হৈছিল। নৈতিক অনুভূতি অবিহনে মেধাৰ কোনো মূল্য নাছিল। সৎ প্ৰকৃতি আৰু সৎ আচৰণক পৰম ধৰ্ম বুলি গ্ৰহণ কৰা হৈছিল। শিক্ষাৰদ্বাৰা মূল্যবোধৰ সৃষ্টি কৰি কিছুমান গুণৰ বিকাশক সহায় কৰা হৈছিল, যেনে— ডাঙৰক সন্মান কৰা, সত্যবাদিতা, সাধুতা আৰু সহ্যগুণৰ বিকাশ, পৱিত্ৰতা ইত্যাদি। সৎ কৰ্মৰ যোগেৰে ব্যক্তিয়ে আধ্যাত্মিক ধাৰণাৰ বিকাশ সাধন কৰিব পাৰে বুলি ভৱা হৈছিল। ইয়াৰ বাবে তলত দিয়া কাৰ্যসূচীসমূহ গ্ৰহণ কৰা হৈছিল—

(ক) পাঠ্যক্ৰমত ধৰ্মীয় শিক্ষাৰ লগতে নৈতিক শিক্ষা অন্তৰ্ভুক্ত কৰা হৈছিল।

(খ) গুৰুৱে মৌখিকভাৱে নৈতিক শিক্ষাৰ পাঠ প্ৰদান কৰিছিল।

(গ) যি পৰিৱেশৰ শিক্ষা প্ৰদান কৰা হৈছিল, তাত চৰিত্ৰ গঠনৰ বিভিন্ন দিশ সাঙুৰি লোৱা হৈছিল।

(ঘ) যিহেতু 'গুৰুকুল ব্যৱস্থা'ত শিষ্যসকলে গুৰুগৃহত থাকি শিক্ষা লাভ কৰিছিল। গতিকে গুৰুৱে শৈক্ষিক দিশৰ লগতে নৈতিক আচৰণৰ দিশতো চকু ৰাখিছিল।

(ঙ) দৈনন্দিন জীৱনত ছাত্ৰসকলে সহপাঠী, অগ্ৰজ আৰু অনুজসকলৰ প্ৰতি সৎ ব্যৱহাৰ কৰাটো বাধ্যতামূলক আছিল।

(চ) ধৰ্মীয় আচাৰ আৰু দৈনন্দিন প্ৰাৰ্থনা সভাই সৎ আচৰণ গঢ়ি তুলিবলৈ ব্যক্তিক অনুপ্ৰাণিত কৰিছিল।

৪। **সম্পূৰ্ণ ব্যক্তিত্বৰ বিকাশ (Total Personality Development) ঃ** বৈদিক শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য আছিল ব্যক্তিৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশ সাধন কৰা। সুস্থ ব্যক্তিত্বৰ প্ৰকৃত বৈশিষ্ট্য হৈছে আত্মবিশ্বাস। শিক্ষাই ব্যক্তিৰ আত্মবিশ্বাস বিকাশৰ ওপৰত গুৰুত্ব দিয়া উচিত। বৈদিক যুগত শিক্ষাৰ মাধ্যমেৰে শিক্ষাৰ্থীৰ আত্মনিয়ন্ত্ৰণ আৰু আত্মবিশ্বাস বৃদ্ধিৰ ওপৰত জোৰ দিয়া হৈছিল। ইয়াৰ বাবে কিছুমান ব্যৱস্থা হাতত ল'ব লাগে। যেনে—

(ক) **আত্মসন্মান ঃ** শিক্ষাৰদ্বাৰা শিক্ষাৰ্থীৰ মনত আত্মসন্মানবোধ জাগ্ৰত কৰিবলৈ চেষ্টা কৰা হৈছিল। শিক্ষা গ্ৰহণৰ পাছত শিক্ষাৰ্থীয়ে নিজৰ জাতি আৰু সংস্কৃতিৰ প্ৰতি বৰঙণি যোগাব লাগিছিল। দুখীয়া ছাত্ৰক সহায় কৰাটো প্ৰধান কৰ্তব্য হিচাপে গণ্য কৰা হৈছিল। বিদ্বান ব্যক্তিক ৰজাতকৈও বেছি সন্মান কৰা হৈছিল। ইয়াৰদ্বাৰাই শিক্ষাৰ্থীৰ আত্মসন্মান বঢ়োৱা হৈছিল।

(খ) **আত্মবিশ্বাস ঃ** উপনয়ন অনুষ্ঠানৰ আৰম্ভণিৰ দিনৰ পৰাই আত্মবিশ্বাস বৃদ্ধিৰ শিক্ষা দিয়া হৈছিল। যদিহে কোনোবাই আনক প্ৰয়োজনত সহায় কৰে, তেন্তে ঈশ্বৰে তেওঁলোকৰ বিপদত সহায় কৰিব এই মূল্যবোধৰ সহায়ত আত্মবিশ্বাস বঢ়াই তোলা হৈছিল। বৈদিক শিক্ষাত আত্মবিশ্বাসৰ এক বিশেষ স্থান আছিল।

(গ) **আত্মসংযম ঃ** শিক্ষাৰ্থীক যিকোনো ক্ষেত্ৰতেই আত্মসংযমৰ শিক্ষা দিয়াটো আছিল প্ৰাচীন শিক্ষাব্যৱস্থাৰ অন্যতম বৈশিষ্ট্য। আত্মসংযমৰ মাজেৰে সৰল জীৱন যাপন আৰু সুস্থ অভ্যাস গঢ় দি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

(ঘ) **প্ৰভেদমুখীতা আৰু ন্যায়দান ঃ** ব্যক্তিত্বৰ বিকাশৰ বাবে ছাত্ৰসকলৰ মাজত প্ৰভেদমুখিতা আৰু ন্যায়দান পদ্ধতিৰ বিকাশ সাধন কৰা হৈছিল। দৰ্শন, আইন, যুক্তি, কবিতা আৰু সাহিত্য বিষয়সমূহৰ মাজেৰে শিক্ষাৰ্থীক ভাল আৰু বেয়া উভয় দিশ বিশ্লেষণাত্মকভাৱে চালি-জাৰি চাবলৈ কোৱা হৈছিল। লগতে বিভিন্ন তৰ্ক-বিতৰ্কৰ মাজেৰে যুক্তিগত সিদ্ধান্ত গ্ৰহণ কৰি শিক্ষাৰ্থীৰ ন্যায়গ্ৰহণৰ দিশ বিবেচনা কৰি চোৱা হৈছিল।

৫। **সামাজিক কৰ্তব্যৰ ওপৰত প্ৰাধান্য (Importance on Social Responsibilities) ঃ** বৈদিক শিক্ষাৰ আন এটি লক্ষ্য আছিল সামাজিক কৰ্তব্যৰ ওপৰত প্ৰাধান্য দিয়া। ছাত্ৰই আত্মকেন্দ্ৰিক জীৱন যাপন কৰিব নোৱাৰে। এজন ছাত্ৰ পুত্ৰ হিচাপে, পতি হিচাপে, পিতৃ হিচাপে আৰু আন আন ভূমিকা সুন্দৰভাৱে পালন কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। তেওঁ উপাৰ্জন কৰা ধন পৰিয়াল আৰু সামাজিক সেৱাৰ বাবে উৎসৰ্গা কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। সকলো জীৱিকাতে সামাজিক দায়িত্ব গুণৰ বিকাশ সাধনত গুৰুত্ব দিয়া হৈছিল।

৬। **সামাজিক যোগ্যতা আৰু মানসিক প্ৰশান্তি (Social efficiency and mental happiness) ঃ** ক্ৰোধ নিবাৰণ কৰি মনক প্ৰফুল্লিত কৰি ৰখাটো প্ৰাচীন ভাৰতৰ শিক্ষাৰ অন্যতম বৈশিষ্ট্য আছিল। জ্ঞানৰ আভাৰে জ্যোতিষ্মান হৈ আৱেগিক নিয়ন্ত্ৰণ কৰিব পৰাজনেই হৈছে প্ৰকৃত অৰ্থত শিক্ষিত ব্যক্তি। শিক্ষাই ব্যক্তিৰ সামাজিকভাৱে যোগ্য আৰু পৰিপক্ক কৰি তোলে। জাতীয় সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰাটো শিক্ষাৰ অন্যতম লক্ষ্য আছিল। আৰ্য সম্প্ৰদায়ৰ মূল উদ্দেশ্য আছিল বৈদিক সাহিত্যৰ সংৰক্ষণ কৰা। প্ৰত্যেক আৰ্যগোষ্ঠীৰ লোকৰ পবিত্ৰ কৰ্তব্য আছিল ধৰ্মীয় আৰু বৈদিক শিক্ষা আহৰণ কৰা। পুৰোহিতসকলে বেদৰ সকলো মন্ত্ৰ আহৰণ কৰিব লাগিছিল যাতে ভৱিষ্যত

প্ৰজন্মলৈ ইয়াৰ বিস্তৃতি কৰিব পাৰে। ব্ৰহ্মচাৰীসকলে এই কাৰ্যত জীৱন অতিবাহিত কৰিছিল। শিক্ষাৰ দ্বাৰা সামাজিক যোগ্যতা আৰু মানসিক আনন্দ বিকাশৰ ওপৰত প্ৰাধান্য দিয়া হৈছিল। শিক্ষা একমাত্ৰ সংস্কৃতিৰ বিকাশ বাবেই নহয় বৰঞ্চ মানসিক শক্তিৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু লগতে সমাজত নিজৰ যোগ্যতা অনুসাৰে জীৱিকা নিৰ্বাচন কৰিবলৈ সুবিধা কৰি দিয়া হৈছিল। কৰ্ম নিৰ্বাচনৰ ভিত্তি জীৱিকা নিৰ্বাহ কৰাৰ ফলত পিছলৈ ই জাতিগত ভিত্তিত বিভাজন হয়।

৭। **সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশ (Preservation and Spreading of Culture)** ঃ শিক্ষাৰ মাধ্যমেৰে এখন সমাজৰ সংস্কৃতি সংৰক্ষণ আৰু বিকাশত জোৰ দিয়া হৈছিল। সমাজৰ পৰম্পৰা আৰু ৰীতি-নীতি উত্তৰ-পুৰুষৰ মাজত বিস্তাৰ কৰিব নোৱাৰিলে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য পূৰণ নহয়। বৈদিক সংস্কৃতি জনসাধাৰণৰ মাজত প্ৰচলন কৰাটো শিক্ষাৰ উদ্দেশ্য আছিল।

৮। **সামাজিক আৰু সামৰিক দায়িত্ব (Social and Civic Duties)** ঃ শিক্ষাই মানুহক আত্মকেন্দ্ৰিকতা হোৱাৰ পৰা বাধা দিয়া উচিত। এখড় সমাজৰ বাবে প্ৰয়োজনীয় সকলো দায়িত্ব পালন কৰিবলৈ শিক্ষা ব্যৱস্থাই ব্যক্তিক সহায় কৰিব লাগে। প্ৰত্যেক ব্যক্তিয়ে এই দায়িত্ববোধ আন্তৰিকভাৱে পালন কৰিব লাগে। শিক্ষাৰদ্বাৰা ব্যক্তিক সামাজিক প্ৰাণী হিচাপে গঢ় দি তুলিব লাগে।

## **বৈদিক শিক্ষাব্যৱস্থাৰ গুণ** (Merits of Vedic Education System) ঃ

প্ৰাচীন শিক্ষা ব্যৱস্থা সুসংগঠিত আছিল। সামাজিক প্ৰয়োজনৰ লগত সংগতি ৰাখি ইয়াৰ ব্যৱস্থা কৰা হৈছিল। শিক্ষাক এক মহৎ দানস্বৰূপে গণ্য কৰা হৈছিল। এজন ব্যক্তিৰ সৰ্বোচ্চ পৰ্যায়ত ব্যক্তিৰ বিকাশৰ বাবে শিক্ষা প্ৰদান কৰা হৈছিল। বাস্তৱ জগতৰ বিভিন্ন প্ৰয়োজনসমূহ পূৰণ কৰাৰ উপৰি শিক্ষাৰদ্বাৰা আধ্যাত্মিক, নৈতিক আৰু মানৱীয় মূল্যবোধৰ বিকাশত গুৰুত্ব দিয়া হৈছিল। প্ৰয়োজন সাপেক্ষে বিনামূলীয়াকৈ শিক্ষা প্ৰচলনৰ ব্যৱস্থা আছিল। বৰ্তমান যুগৰ নিচিনাকৈ প্ৰাচীন কালত শিক্ষাৰ বাবে মাচুল দিয়াৰ ব্যৱস্থা নাছিল। গুৰু-শিষ্যৰ সম্পৰ্ক সন্মান আৰু আদৰৰ ভিত্তিত প্ৰতিষ্ঠিত আছিল। দুয়োৰে সম্পৰ্ক অতি ওচৰৰ আৰু আন্তৰিক থকা দেখা যায়। পাৰস্পৰিক বিশ্বাস আৰু সন্মানৰ ভিত্তিত তেওঁলোকৰ সম্বন্ধ পৰিচালিত হৈছিল। সেই সময়ত শিক্ষকৰ স্থান যথেষ্ট ওপৰত আছিল। বৈদিক শিক্ষা ব্যৱস্থাৰ গুণসমূহ তলত উল্লেখ কৰা হ'ল —

(১) বৈদিক শিক্ষা ব্যৱস্থা সাংগঠনিক দিশত অতি শক্তিশালী আছিল। কঠোৰ নীতি-নিয়মৰ মাজেৰে অনুশাসন ব্যৱস্থা পালন কৰা হৈছিল।

(২) সেই সয়মৰ সমাজ ব্যৱস্থা অনুযায়ী শিক্ষাই সমাজৰ ব্যক্তিৰ প্ৰয়োজন পূৰণ কৰিবলৈ চেষ্টা কৰিছিল।

(৩) গুৰুগৃহত শিক্ষাৰ্থীৰ সৰ্বাত্মক বিকাশৰ বাবে শিক্ষা প্ৰদান কৰা হৈছিল। শিক্ষা ব্যৱস্থাত শাৰিৰীক, বৌদ্ধিক নৈতিক, আধ্যাত্মিক, সাংস্কৃতিক, বৃত্তিমূলক তথা অন্যান্য বিষয় অন্তৰ্ভুক্ত কৰি ব্যক্তিৰ সৰ্বাত্মক দিশৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

(৪) বৈদিক শিক্ষা যথেষ্ট পৰিমাণে মুক্ত আছিল। যিসকলে জ্ঞান লাভ কৰিবলৈ উৎসুক, তেওঁলোকক সেই অনুযায়ী শিক্ষা দিবলৈ চেষ্টা কৰা হৈছিল।

(৫) এই শিক্ষা ব্যৱস্থাত শিক্ষা গ্ৰহণৰ বাবে মাচুল আদায় দিয়াটো বাধ্যতামূলক নাছিল। শিক্ষা গ্ৰহণৰ অন্তত শিষ্যই গুৰুক নিজ সামৰ্থ অনুযায়ী গুৰুদক্ষিণা প্ৰদান কৰিছিল। দুখীয়া ছাত্ৰৰ শিক্ষা গ্ৰহণৰ বাবে চহকী ছাত্ৰৰ সমপৰ্যায়ৰ মাচুল আদায় দিয়াটো বাধ্যতামূলক নাছিল।

(৬) বৈদিক যুগৰ শিক্ষা ব্যৱস্থাত গুৰু-শিষ্যৰ মাজৰ সম্পৰ্ক মৰম আৰু সন্মানৰ বান্ধোনেৰে দৃঢ় হৈ আছিল। গুৰুৱে শিষ্যক নিজ সন্তানৰ দৰে মৰম কৰিছিল আৰু শিষ্যই গুৰুক নিজ পিতৃ-মাতৃৰ দৰে সন্মান কৰিছিল।

(৭) বৈদিক শিক্ষাত নাৰীক পুৰুষৰ সমানেই স্থান দিয়া হৈছিল। যিসকল নাৰী শিক্ষা লাভৰ বাবে ইচ্ছুক তেওঁলোকক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰা হৈছিল। শিক্ষিতা নাৰীক বিদূষীৰ সন্মান যচা হৈছিল।

(৮) শিক্ষাত সামগ্ৰিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছিল। তৰ্কশাস্ত্ৰ, গণিত, জ্যোতিৰ্বিদ্যা, অৰ্থশাস্ত্ৰ, ভূগোল, পশুপালন, বন্যপ্ৰাণী, সামৰিক বিদ্যা ইত্যাদি জীৱন-যাপনৰ বাবে সামগ্ৰিক বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল।

(৯) যদিও শিক্ষা ব্যৱস্থা ধৰ্মক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল, তথাপিও ইয়াত ধৰ্মনিৰপেক্ষতাৰ স্থান আছিল। ব্যক্তিৰ শিক্ষা অৰ্থনৈতিক জীৱনক কেন্দ্ৰ কৰি গঢ় দিয়া হৈছিল।

(১০) যিহেতু পাঠ্যক্ৰমত সামগ্ৰিক দিশ অন্তৰ্ভুক্ত কৰা হৈছিল, গতিকে শিক্ষাব্যৱস্থাই সমাজৰ প্ৰয়োজনীয় দিশ পূৰণ কৰিবলৈ সমৰ্থ হৈছিল। শিক্ষাৰদ্বাৰা সমাজৰ সুস্থ গঠন আৰু বিকাশৰ ওপৰত জোৰ দিয়া হৈছিল।

## বৈদিক শিক্ষা ব্যৱস্থাৰ দোষসমূহ (Demerits of Vedic Education System)

বৈদিক শিক্ষাব্যৱস্থাই ব্যক্তিক সুস্থ ব্যক্তিত্ব গঢ় দিয়াত সহায় কৰিছিল যদিও ইয়াৰ কিছুমান নেতিবাচক দিশো পৰিলক্ষিত হয়। সেইবোৰ হ'ল—

(১) বৈদিক শিক্ষা ব্যৱস্থাত ব্যৱহাৰ কৰা শিক্ষা পদ্ধতি অনমনীয় আছিল। ইয়াত কঠোৰ নীতি মানি চলা হৈছিল।

(২) শিক্ষা ব্যৱস্থা শিক্ষককেন্দ্ৰিক আছিল। গুৰুৰ আদেশ শিষ্যই আখৰে আখৰে পালন কৰাটো বাধ্যতামূলক আছিল। শিষ্যৰে নিজ ইচ্ছা অনিচ্ছাক প্ৰাধান্য দিয়া হোৱা নাছিল।

(৩) শিক্ষা ব্যৱস্থাত পালন কৰা অনুশাসন ব্যৱস্থা অতি কঠোৰ আছিল। যিকোনো দোষৰ বাবে শাস্তি প্ৰদান ব্যৱস্থা কঠোৰভাৱে মানি চলা হৈছিল।

(৪) বৈদিক শিক্ষা ব্যৱস্থাত মৌখিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। শিক্ষাদানৰ পদ্ধতি আছিল মৌখিক। গতিকে একমাত্ৰ মুখস্থ বিদ্যাৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল।

(৫) বৈদিক শিক্ষা ব্যৱস্থা ধৰ্মকেন্দ্ৰিক আছিল। ধৰ্মৰ ভিত্তিত বেদ-উপনিষদ, পুৰাণ আদিৰ শিক্ষা শিক্ষাৰ্থীসকলক প্ৰদান কৰা হৈছিল।

(৬) যদিও নাৰী-পুৰুষৰ শিক্ষাৰ মাজত কোনো পাৰ্থক্য নাছিল, গুৰুগৃহত একমাত্ৰ ছাত্ৰৰহে থকাৰ ব্যৱস্থা আছিল।

(৭) বৈদিক শিক্ষাত ছাত্ৰৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত কোনো ধৰণৰ গুৰুত্ব দিয়া হোৱা নাছিল। শিক্ষক আছিল সৰ্বেসৰ্বা।

(৮) শিক্ষাদানৰ মাধ্যম আছিল সংস্কৃত। গতিকে সাধাৰণ শ্ৰেণীৰ বাবে এই ভাষা বোধগম্য নাছিল।

(৯) বৈদিক শিক্ষা ব্যৱস্থাৰ বিভাজন পদ্ধতিয়ে পিছলৈ সমাজত শ্ৰেণীব্যৱস্থাৰ জন্ম দিছিল। কৰ্মৰ ভিত্তিত প্ৰদান কৰা শিক্ষাই সমাজত চাৰিটা শ্ৰেণীৰ সৃষ্টি কৰিছিল।

(১০) বৈদিক শিক্ষা ব্যৱস্থা সমাজৰ বিকাশৰ পৰিপন্থী আছিল কাৰণ শিক্ষাব্যৱস্থাই সৃষ্টি কৰা শ্ৰেণীবিভাজনৰ সমাজৰ লোকৰ মাজত বিভাজন আনিছিল।

## কৌটিল্যৰ অৰ্থশাস্ত্ৰ শিক্ষা (Education in the Arthasashtra of Kautilya)

কৌটিল্য খ্ৰীঃপূঃ চতুৰ্থ শতিকাত ভাৰতবৰ্ষৰ ৰজা চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভাত এগৰাকী প্ৰধানমন্ত্ৰী আছিল। তেওঁ চানক্য নামেৰে জনাজাত আছিল। আলেকজেণ্ডাৰৰ সমসাময়িক চাণক্যই কৌটিল্য নামেৰে ৰজা আৰু ৰাজ্য শাসনৰ ওপৰত 'অৰ্থশাস্ত্ৰ' নামেৰে এখনি পুথি ৰচনা কৰে। এই গ্ৰন্থখনিত মৌৰ্য শাসন ব্যৱস্থাৰ এক ছবি ফুটি উঠিছে। অৰ্থশাস্ত্ৰৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্নভাৱে ব্যাখ্যা কৰিছে। কিছু পণ্ডিতৰ মতে অৰ্থশাস্ত্ৰ চতুৰ্থ শতিকাৰ চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজত্বকালত কৌটিল্যই ৰচনা কৰিছিল। আন কিছুমানৰ মতে, খ্ৰীষ্টাব্দ তৃতীয় শতিকাত এই গ্ৰন্থখনি যাজ্ঞবল্ক্য সূত্ৰৰ ভিত্তিত ৰচনা কৰা হৈছিল।

কৌটিল্যৰ অৰ্থশাস্ত্ৰ ৬০০০ শ্লোক সন্নিৱিষ্ট হৈ আছে। এখন দেশ চলাবলৈ এজন ৰজাই কি কি কৰিব লাগে সেই সকলো নীতি-নিয়ম ইয়াত সামগ্ৰিকভাৱে সন্নিৱিষ্ট কৰা আছে। বৰ্তমান আধুনিক সময়তো এখন দেশ সুচাৰুৰূপে শাসন কৰিবলৈ এজন প্ৰশাসকৰ বাবে এই নীতি-নিয়মসমূহৰ প্ৰাসংগিকতা আছে।

অৰ্থশাস্ত্ৰত এখন দেশৰ ৰজা নাইবা শাসকে পালন কৰিবলগীয়া নীতি, আইন, সামৰিক প্ৰশাসন, অপৰাধ নিবাৰণৰ বাবে আদালতে গ্ৰহণ কৰিবলগীয়া শাস্তিবিধান, মূল্যবোধ, অৰ্থনীতি, বজাৰ-ব্যৱস্থা, বাণিজ্য ইত্যাদি বিভিন্ন বিষয়ৰ ওপৰত পুংখানুপুংখ ব্যাখ্যা প্ৰদান কৰা আছে। শাসকে মন্ত্ৰীপৰিষদ নিৰ্বাচন কৰোঁতে পালন কৰিবলগীয়া ব্যৱস্থা কূটনীতি, যুদ্ধ আৰু শান্তিৰ বিধান, দেশত শান্তি প্ৰতিষ্ঠাৰ উদ্যোগ আৰু শাসকে মানি চলিবলগীয়া নীতি-নিয়ম তথা আইন-কানুনৰ বিষয়েও ইয়াত বিশাদ বিবৰণ দিয়া আছে।

কৌটিল্যৰ অৰ্থশাস্ত্ৰ প্ৰাচীন হিন্দুব্যৱস্থাৰ ওপৰত প্ৰণয়ন কৰা হৈছে। ইয়াত হিন্দু দৰ্শকক প্ৰাধান্য দিয়া হৈছে। এই পুথিগত সন্নিৱিষ্ট প্ৰধান বিষয়সমূহ হৈছে—

(১) প্ৰাচীন অৰ্থব্যৱস্থা

(২) কৃষিব্যৱস্থাৰ বিশদ বিৱৰণ

(৩) খননকাৰ্যৰ বিষয়ে আলোচনা

(৪) প্ৰাকৃতিক সম্পদ

(৫) ধাতুবিদ্যা

(৬) পশুপালন

(৭) বনানিকৰণ আৰু বন্যজন্তু

(৮) ৰোগৰ প্ৰতিকাৰ তথা নিৰাময় ব্যৱস্থা ইত্যাদি

কৌটিল্যই ৰচনা কৰা অৰ্থশাস্ত্ৰত সামাজিক জীৱনৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰা হৈছে। এইবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পৰা যায়—

(১) এখন সমাজত বসবাস কৰা সদস্যসকলৰ সামাজিক জীৱন কিদৰে ফলপ্ৰসূ কৰি তুলিব পাৰি সেই বিষয়ে আভাস দিয়া হৈছে।

(২) মহামাৰীয়ে বিধস্ত কৰা সামাজিক জীৱনৰ স্বৰূপ আৰু এই ধ্বংসলীলাৰ পৰা কিদৰে শাসকে প্ৰজাসকলক ৰক্ষা কৰিব পাৰে সেই বিষয়ে বিধান দিয়া আছে।

(৩) সামাজিক ব্যৱস্থাই এখন দেশক কেনেদৰে বিকাশৰ পথত অগ্ৰসৰ কৰিব পাৰে আৰু তাৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

(৪) প্ৰাকৃতিক দুৰ্যোগ, যুদ্ধ ইত্যাদিৰ বিভীষিকাই কেনেদৰে সামাজিক তথা অৰ্থনৈতিক গাঁথনিত প্ৰভাৱ পেলাব পাৰে।

(৫) প্ৰাকৃতিক দুৰ্যোগ তথা মহামাৰী প্ৰশসন কৰি এখন সমাজক দুৰ্যোগৰ পৰা পৰিত্ৰাণ কৰাৰ বিধান।

(৬) এখন দেশৰ জনসিঞ্চন ব্যৱস্থা উন্নত কৰাৰ উপায় তথা নাগৰিকক প্ৰয়োজনীয় সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা।

(৭) সভ্যতাৰ বিকাশৰ বাবে নগৰকেন্দ্ৰিক উন্নয়ন ব্যৱস্থা গঢ় দিয়া।

(৮) নাগৰিকৰ পৰা সমাজৰ উন্নয়নৰ বাবে কৰসংগ্ৰহ আৰু প্ৰয়োজনসাপেক্ষে পীড়িত নাগৰিকক এই ব্যৱস্থাৰ পৰা ৰেহাই দিয়াৰ ব্যৱস্থা ইত্যাদি।

কৌটিল্যৰ অৰ্থশাস্ত্ৰত খ্ৰী.পূঃ ৪ ৰ্থ শতিকাৰ সমাজ ব্যৱস্থা, শিক্ষা ব্যৱস্থ, ৰাজনীতি, আইন, সামৰিক ব্যৱস্থা, অৰ্থনৈতিক ব্যৱস্থা ইত্যাদিৰ বিষয়ে আলোচনা কৰা হৈছে। সেই সময়ৰ সামাজিক ব্যৱস্থাৰ বৰ্ণনা তথা সামাজিক প্ৰগতিৰ উপায় এই অৰ্থশাস্ত্ৰত পোৱা যায়। চাণক্যই নাৰী, পীড়িত লোক, সমাজৰ অনগ্ৰসৰ লোকৰ বিষয়ে অধিক সংবেদনশীলভাৱে আলোচনা কৰাৰ উপৰিও তেওঁলোকক

উদ্ধাৰ কৰাৰ তথা ন্যায় প্ৰদান কৰাৰ ব্যৱস্থা আলোচনা কৰি গৈছে। সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰ উন্নতি হ'লেহে যে সমাজৰ বিকাশ সম্ভৱ সেই বিষয়ে ইয়াত উল্লেখ কৰা হৈছে। বৰ্তমান আধুনিক সমাজ ব্যৱস্থাতো এই চাণক্য নীতিসমূহ মানি চলা দেখা যায়।

## মধ্যযুগৰ ভাৰতীয় শিক্ষা (Education in Medieval India) ঃ

মধ্যযুগীয় ভাৰতবৰ্ষৰ শিক্ষা প্ৰধানতঃ দুই ভাগত বিভক্ত কৰিব পাৰি—(১) হিন্দু শিক্ষা আৰু (২) ইছলামীয় শিক্ষা। হিন্দু শিক্ষা ব্যৱস্থাৰ সময়সীমা খ্ৰীষ্টাব্দ ৬৪৭ ৰ পৰা খ্ৰীষ্টাব্দ ১২৮০ (আনুমানিক) — ৰ ভিতৰত, আনহাতে ইছলামীয় শিক্ষা খ্ৰীষ্টাব্দ ১২০০ ৰ পৰা বৃটিছসকল অহাৰ সময়লৈ অৰ্থাৎ ১৭ শতিকালৈ বিস্তৃত। সেই সময়ৰ হিন্দু শিক্ষাৰ বিশেষত্ব চকুত পৰা বিধৰ নাছিল বাবে ইছলামীয় শিক্ষাকেই মধ্যযুগীয় শিক্ষা বুলি অভিহিত কৰা হয়। যদিও মুছলিম শাসকসকল শিক্ষিত নাছিল তথাপিও তেওঁলোকে শিক্ষা প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়াইছিল।

খ্ৰীষ্টাব্দ অষ্টম শতিকাৰপৰা মুছলমানসকলৰ ভাৰতবৰ্ষলৈ আগমন ঘটে। মাহমুদ গজনীয়ে ভাৰতবৰ্ষ আক্ৰমন কৰি পোৱা ধন-সম্পত্তিৰে নিজ দেশত স্কুল, কলেজ আৰু লাইব্ৰেৰী স্থাপন কৰে। মুছলমান শাসকসকলে যেতিয়া ভাৰতবৰ্ষত নিজ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে তেতিয়াৰ পৰাই তেওঁলোকে এক নিজাকৈ শিক্ষাপদ্ধতি প্ৰচলন কৰে। সেইসময়ত বৈদিক আৰু বৌদ্ধ শিক্ষাব্যৱস্থাৰ প্ৰচলন আছিল। মুছলমানসকলে সময়ে-সময়ে ভাৰতীয় শিক্ষা আৰু সংস্কৃতি ধ্বংস কৰিবলৈ চেষ্টা কৰে। মুছলমান শাসক বখ্‌টিয়াৰ, আলাউদ্দিন, ফিৰোজ আৰু ঔৰংগজেব এই ক্ষেত্ৰত বিশেষ প্ৰণিধানযোগ্য। বখ্‌টিয়াৰে বৌদ্ধ বিশ্ববিদ্যালয়সমূহ ধ্বংস কৰি তাৰ ঠাইত মুছলিম শিক্ষাব্যৱস্থা প্ৰচলন কৰিবলৈ চেষ্টা চলায়।

মাজে সময়ে বিভিন্ন ৰাজ্যিক প্ৰচেষ্টা আৰু মাজে সময়ে আঢ্যবন্ত লোকসকলৰ পৃষ্ঠপোষকতাত এক নতুন শিক্ষা ব্যৱস্থাই গা কৰি উঠে। সমসাময়িক হিন্দু শিক্ষা ব্যৱস্থাৰ ওপৰতো ইয়াৰ প্ৰভাব নপৰাকৈ নাথাকিল। যিসকল হিন্দু পণ্ডিতৰ পাৰ্চী আৰু আৰবী ভাষা ওপৰত দখল আছিল তেওঁলোকে মুছলমান শাসকৰ অধীনত বিভিন্ন দায়িত্বশীল পদবীত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। একেদৰে মুছলমান শিক্ষা ব্যৱস্থাও হিন্দুসকলৰ শিক্ষা ব্যৱস্থাৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল। দৰ্শন, চিকিৎসা বিজ্ঞান আৰু বৃত্তিমূলক শিক্ষা এই দিশত উল্লেখযোগ্য। সাধাৰণতে এই শিক্ষাব্যৱস্থা তিনি ভাগত বিভক্ত আছিল। এই ভাগসমূহ হৈছে— (i) মোক্তাব (প্ৰাথমিক শিক্ষা) (ii) উচ্চ মোক্তাব (উচ্চ মাধ্যামিক) আৰু (iii) মাদ্ৰাছা (উচ্চ শিক্ষা)। সমগ্ৰ দেশত এই তিনিভাগত বিভক্ত হৈ মুছলমান শিক্ষাই এক নতুন সংযোগৰ সৃষ্টি কৰে।

## লক্ষ্য আৰু উদ্দেশ্য (Aims and objectives) ঃ

ভাৰতবৰ্ষত মুছলমান শিক্ষাৰ উদ্দেশ্য বহুমুখী আছিল। এই উদ্দেশ্যসমূহ পূৰণৰ বাবে এক নতুন শিক্ষ্যব্যৱস্থাৰ প্ৰবৰ্তন কৰিবলগা হৈছিল। সাধাৰণতে দেখা গৈছে যে প্ৰত্যেকজন শাসকৰ অধীনত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য বেলেগ বেলেগ আছিল। সম্ৰাট আকবৰৰ ৰাজত্বকালত সমগ্ৰ ৰাষ্ট্ৰৰ ৰাজনৈতিক, ধৰ্মীয় আৰু সামাজিক দিশৰ সমবিকাশ কৰি এক নব্য শিক্ষাৰ ৰূপ দিবলৈ চেষ্টা কৰা হৈছিল। আনহাতে ঔৰংগজেবৰ ৰাজত্বকালত হিন্দু শিক্ষাব্যৱস্থা সম্পূৰ্ণৰূপে ধ্বংস কৰি ইছলামিক শিক্ষা আৰু সংস্কৃতিৰ বিস্তাৰ কৰিবলৈ চেষ্টা কৰা হৈছিল। এই শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য তলত দিয়াধৰণে আলোচনা কৰিব পাৰি:ঃ

**(১) জ্ঞান বিস্তাৰৰ লক্ষ্য (Spread of Knowledge)** ঃ মুছলমান ধৰ্মৰ উপাসনা কৰাসকলৰ মাজত জ্ঞানৰ পোহৰ বিতৰণ কৰাটো মুছলমান শিক্ষাৰ প্ৰধান উদ্দেশ্য আছিল। হজৰত মহম্মদৰ মতে জ্ঞান জীৱনৰ প্ৰাধান উপজীব্য, ইয়াৰ অবিহনে প্ৰকৃত মুক্তি কেতিয়াও সম্ভৱ নহয়। ইয়াৰদ্বাৰাই শিক্ষাৰ প্ৰয়োজনীয়তা কিমান উপলব্ধি কৰিবপৰা যায়। মহম্মদৰ মতে একমাত্ৰ জ্ঞানৰ যোগেৰেহে মানব জীৱনৰ প্ৰয়োজনীয় কৰ্তব্য আৰু অশুদ্ধ কৰ্মৰ মাজৰ পাৰ্থক্য বিচাৰ কৰিব পৰা যায়। ধৰ্ম আৰু অধৰ্মৰ মাজৰ পাৰ্থক্য একমাত্ৰ শিক্ষাৰদ্বাৰা লাভ কৰা জ্ঞানৰ যোগেৰেহে বিচাৰ কৰিব পৰা যায়। জ্ঞান অৰ্জন পুৰুষ বা মহিলাৰ শিক্ষাৰ ওপৰত থকা আস্থাৰ জৰিয়তেহে সম্ভৱ।

**(২) মুছলমান ধৰ্ম প্ৰচাৰ (Propagation of Islam)** ঃ এই ধৰ্মৰ শিক্ষাৰ আন এটা উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰ আৰু বিস্তাৰ। ধৰ্ম বিস্তাৰ কৰিব পৰাটো এক ধৰ্মীয় কৰ্তব্য বুলি ধৰি লোৱা হৈছিল আৰু ধৰ্মপ্ৰচাৰকজনক এক পবিত্ৰ আত্মা বুলি গণ্য কৰা হৈছিল। গতিকে ভাৰতবৰ্ষত প্ৰভুত পৰিমাণে ইছলাম ধৰ্ম প্ৰচাৰ হৈছিল। মোক্তাবসমূহত নামভৰ্তিৰ পিছৰপৰাই ছাত্ৰসকলক ইছলাম ধৰ্মৰ জ্ঞান দিবলৈ কোৰাণৰ শিক্ষা দিয়া হৈছিল। ঠিক সেইদৰে মাদ্ৰাছাত ইছলাম ধৰ্মৰ দৰ্শন, সাহিত্য আৰু ইতিহাসৰ ওপৰত শিক্ষা দিয়া হৈছিল।

মুছলমান শাসকসকলে ধৰ্মীয় অনুভূতিৰদ্বাৰা পৰিবেষ্টিত হৈ শিক্ষাৰ পৃষ্ঠপোষকতা কৰিছিল। বিদ্যালয় গৃহ নিৰ্মাণ কৰাটো তেওঁলোকৰ মনত ধৰ্মৰ এক অংগ বুলি বিবেচনা কৰিছিল। প্ৰতিটো মছজিদৰ সংলগ্নকৈ একোখন মোক্তাব নিৰ্মাণ কৰাটো অতি পবিত্ৰ কাম বুলি বিবেচনা কৰিছিল। মুছলমান ধৰ্মভীৰু ব্যক্তি আৰু শাসকসকলে ছাত্ৰ আৰু শিক্ষকসকলক ইমানেই পবিত্ৰ বুলি গণ্য কৰিছিল যে মৃত্যুৰ পিছত তেওঁলোকে মাদ্ৰাছাৰ সমীপত কবৰ দিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। হজৰত মহম্মদৰ মতে এগৰাকী পণ্ডিতৰ কলমৰ চিয়াহী এগৰাকী শ্বহীদৰ তেজতকৈও পবিত্ৰ। সাধাৰণ শিক্ষা মুছলমানসকলৰ শিক্ষাব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ অংগ আছিল। তেওঁলোকে হিন্দু মন্দিৰ আৰু বৌদ্ধ মঠসমূহ ধ্বংস কৰি তাৰ ঠাইত মছজিদ আৰু মাদ্ৰাছা স্থাপন কৰিছিল।

**(৩) ইছলামীয় সামাজিক নৈতিকতা স্থাপন (Establishment of Islamic Social morals) ঃ** মুছলমান শিক্ষাব্যৱস্থাৰ মূল উদ্দেশ্য আছিল ইছলাম নীতি আৰু পন্থাৰ ওপৰত ভিত্তি কৰি এক বিশেষ নৈতিকতা সমাজত স্থাপন কৰা। ইয়াৰ মাধ্যমত প্ৰাচীন ইছলামীয় আইন, সামাজিক পৰম্পৰা আৰু এক বিশেষ সমাজিক নীতিৰ প্ৰতিষ্ঠা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল।

**(৪) বস্তুগত দিশৰ বিকাশ (Material Progress) ঃ** ইছলামসকলে বস্তুগত দিশতো উচ্চস্থান অধিকাৰ কৰিবলৈ বিচাৰিছিল। তেওঁলোকৰ শিক্ষাব্যৱস্থাৰ এক দুৰ্বল দিশ আছিল শিক্ষিত ব্যক্তিক বস্তুবাদী মনোভাবৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছিল। শিক্ষিত লোকসকলক লোভনীয় পদবী, সন্মানীয় স্থান, পুৰস্কাৰ, সাহায্য, 'জাগীৰ' আদি দিয়াৰ ব্যৱস্থা কৰিছিল যাতে শিক্ষিত ব্যক্তিয়ে সেনাবাহিনীৰ কামাণ্ডাৰ, ন্যায়াধীশ, উকীল, মন্ত্ৰী আদি হোৱাৰ সুবিধা লাভ কৰিব পাৰে। শিক্ষাক সৰ্বোচ্চ আসন দিয়া হৈছিল। ইয়াৰ ফলত কিছুমান হিন্দু লোকেও আৰবী, পাৰ্চী ভাষা আয়ত্ব কৰি উচ্চ পদবী লাভ কৰিছিল। শিক্ষাৰ উদ্দেশ্য আছিল ব্যক্তিক ব্যৱহাৰিক দিশত উপযোগী কৰি তোলা।

**(৫) ৰাজনৈতিক সমৰ্থন আগবঢ়োৱা (Political Support) ঃ** ৰাজনৈতিক দিশৰ লগতো ইছলামীয় শিক্ষাব্যৱস্থাৰ সম্পৰ্ক আছিল। ভাৰবৰ্ষত প্ৰবেশ কৰি তেওঁলোকে অনুভব কৰিছিল যে ভাৰতবৰ্ষ এনে এখন দেশ যাৰ সংস্কৃতি, সভ্যতা, ৰাজনৈতিক আৰু সামাজিক দিশ সকলো দিশতে ইছলামীয় ৰাষ্ট্ৰতকৈ বহু উন্নত আৰু সুসংস্কৃত। গতিকে নিজ জাতিৰ গুৰুত্ব আৰু সৌষ্ঠব বৃদ্ধি কৰিবলৈ শিক্ষাৰ যোগেৰে ৰাজনৈতিক আৰু সামাজিক দিশৰ বিকাশত অধিক অগ্ৰাধিকাৰ দিছিল। এইক্ষেত্ৰত মহামতি আকবৰৰ শৈক্ষিক আৰু ৰাজনৈতিক আচনিত শিক্ষাৰ ওপৰত অধিক অগ্ৰাধিকাৰ দিয়া দেখা যায়।

**(৬) চৰিত্ৰ গঠন (Character Formation) ঃ** ইছলামীয় শিক্ষাৰ মুখ্য উদ্দেশ্য আছিল চৰিত্ৰ গঠন কৰা। শিক্ষাৰদ্বাৰা ব্যক্তিয়ে চৰিত্ৰ গঠন কৰিব লাগে। তেওঁলোকৰ মতে চৰিত্ৰহীন লোকে বেহেস্তত স্থান নাপায়। মৃত্যুৰ পিছত তেওঁক চয়তানৰ লগত স্থান দিয়া হয় আৰু নৰকগামী হয়। গতিকে শিক্ষাৰদ্বাৰা ব্যক্তি ধাৰ্মিক, চৰিত্ৰৱান আৰু নৈতিক গুণৰ অধিকাৰী হৈ উঠিব লাগে। ইয়াৰবাবে ধৰ্মীয় নীতি-নিয়মো কঠোৰভাৱে অনুসৰণ কৰা হৈছিল।

## ৰজাঘৰীয়া পৃষ্ঠপোষকতাত শিক্ষাৰ বিকাশ (Growth of education under state patronage)

মুছলমানসকলৰ ভাৰতবৰ্ষলৈ আগমন হোৱাৰ সময়ত ভাৰতত বৈদিক শিক্ষাৰ লগতে বৌদ্ধ শিক্ষা-ব্যৱস্থা প্ৰচলিত আছিল। বৌদ্ধ শিক্ষাৰ প্ৰাণকেন্দ্ৰ নালন্দা, তক্ষশীলা, বল্লভী, বিক্ৰমশীলা বিশ্ববিদ্যালয়ে অন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিছিল। মাহমুদ গজনীয়ে ভাৰত আক্ৰমণ কৰাৰ উদ্দেশ্যৰ শিক্ষা বিস্তাৰ কৰাটো নাছিল। গজনী শিক্ষাপ্ৰেমী আছিল বাবে ভাৰতৰপৰা লুট কৰা ধন-সোণেৰে তেওঁ নিজ দেশত আটকধুনীয়া স্কুল আৰু পুথিভৰাল স্থাপন কৰিছিল।

১১৯২ চনত মহম্মদ ঘোৰীয়ে ভাৰত আক্ৰমণ কৰি মুছলমান সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে। তেওঁ আজমীৰৰ মন্দিৰ ধ্বংস কৰি তাৰ ঠাইত মছজিদ আৰু মোক্তাব স্থাপন কৰে। তেওঁৰেই এগৰাকী সেনা বখ্‌টিয়াৰে দক্ষিণ ভাৰতৰ বৌদ্ধ বিশ্ববিদ্যালয়সমূহ ধ্বংস কৰি ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ ওপৰত আঘাত হানিছিল। তেওঁ একাধিক মাদ্ৰাছা নিৰ্মাণ কৰে। পিছলৈ দাস বংশৰ ৰজা ইলতুৎমিছ, চুলতানা ৰেজিয়া, বলবন আদিয়েও শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৃষ্ঠপোষকতা কৰে। তেওঁলোকৰ ভিতৰৰ কিছুমান কলা আৰু সাহিত্যৰ অনুৰাগী আছিল। তেওঁলোকে শিল্পী ইতিহাসবিদ, কবি সাহিত্যিক আদিক ৰাজদৰবাৰত দিছিল। বলবানৰ দিনত আমীৰ খুশ্ৰু আৰু আমীৰ হাচান দেলাৱি (বিখ্যাত কবি) ভাৰতৰ লগতে বিদেশতো পাচী ভাষাত খ্যাতি লাভ কৰিছিল।

খ্ৰীষ্টাব্দত ১৩ শতিকাত ধৰ্মীয় কাৰ্যাৱলী, সাহিত্য, বুৰঞ্জী আৰু কথাসাহিত্যই বিশেষ সমাদৰ লাভ কৰে। দিল্লীৰ চুলতানসকলেও মুছলমান সাধাৰণ শ্ৰেণীৰ লোকৰ শিক্ষাৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰায় প্ৰত্যেক মুছলমান বসতিপূৰ্ণ ঠাইত দুখনকৈ মোক্তাব আছিল। তদুপৰি মাদ্ৰাছা স্থাপন কৰি তালৈ মুক্তহস্তে দান কৰিছিল। চুলতান ইলতুৎমিচে দিল্লীত এখন আৰু মূলতানত এখন মাদ্ৰাছা প্ৰতিষ্ঠা কৰিছিল। দাস বংশৰ নাছিৰউদ্দীনে প্ৰতিষ্ঠা কৰা নাছিৰীয় কলেজ এখন প্ৰখ্যাত শিক্ষা প্ৰতিষ্ঠান। সমাজৰ ধনীক শ্ৰেণীৰ শিক্ষা আৰু সাংস্কৃতিক দিশ আগবঢ়া হোৱাৰ লগে লগে পিছপৰা শ্ৰেণীৰ এই দিশ চকুত লগাকৈ পিছপৰা আছিল।

খিলীজি বংশৰ প্ৰতিষ্ঠা জালালুদ্দিন খিলীজিৰ পাছত আলাউদ্দিন খিলীজিৰ ৰাজত্বকালত শিক্ষা ব্যৱস্থা নিম্নগামী হয়। তেওঁৰ ৰাজত্বকালৰ প্ৰথমচোৱাত শিক্ষা প্ৰসাৰৰ বাবে আগবঢ়োৱা সাহায্য বন্ধ কৰি সেনাবাহিনীৰ সংগঠন কাৰ্যত আগবঢ়ায়। বাৰ্ণীৰ মতে, আলাউদ্দিন খিলীজিৰ ৰাজত্বকালৰ এটা উল্লেখযোগ্য পৰিঘটনা হৈছে যে সেই সময়ত বিভিন্ন দেশৰ বৈজ্ঞানিক, সাহিত্যিক আৰু দক্ষ শিল্পীয়ে নগৰসমূহত বাস কৰিবলৈ লয়। দিল্লীৰ ৰাজদৰবাৰৰ ওচৰে-পাজৰে এনে ব্যক্তিয়ে ভিৰ কৰাৰ বাবে দিল্লী ভাৰতবৰ্ষৰ কনষ্টানিনপোল বুলি গণ্য কৰা হৈছিল আৰু বাগদাদৰ বাবে ঈৰ্ষণীয় হোৱাৰ লগতে কাইৰোৰ শত্ৰুপক্ষ হিচাপে পৰিগণিত হৈছিল। পিছৰ সময়ছোৱাত আলাউদ্দিনে ধৰ্মীয় উপাসনাৰ ঠাই আৰু স্কুল-কলেজ নিৰ্মাণ কৰিবলৈ লয়। ফৰিষ্টাৰ মতে, তেওঁৰ ৰাজত্বকালত ৪০জন ডক্তৰেট ডিগ্ৰীধাৰীয়ে কলা আৰু বিজ্ঞান শাখাত বিশ্ববিদ্যালয়ত অধাপনা কৰিছিল।

টোগ্‌লক বংশৰ ৰজাসকলে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত যথেষ্ট কাম কৰে। গিয়াচউদ্দিন আৰু মহম্মদ টোগ্‌লকে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট (বৰঙণি যোগায়। তেওঁলোক নিজেও পণ্ডিত ব্যক্তি আছিল। মহম্মদৰ দৰবাৰত যথেষ্ট সংখ্যক কবি, দাৰ্শনিক, চিকিৎসাবিদ আৰু তৰ্কবিদৰ সমাহাৰ ঘটিছিল। সেই দৰবাৰত অধিভৌতিক দৰ্শনৰ ওপৰত আলোচনা চলিছিল। মৌলানা মইনুদ্দিন জমাৰাণি এগৰাকী

বিখ্যাত শিক্ষাবিদ আছিল। দুয়োগৰাকী শাসকে যোগ্য ছাত্ৰক জলপাণি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে মোক্তাব স্থাপন কৰিছিল। সম্ৰাট ফিৰোজ শ্বাহৰ দিনত দিল্লী শিক্ষাৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হয়। তেওঁ পণ্ডিতসকলক আৰ্থিক সাহায্য আগবঢ়াইছিল। কথিত আছে যে ফিৰোজ শ্বাহে প্ৰায় ১,৮০,০০০ দাসক দিল্লীত শিক্ষা প্ৰদান কৰাৰ উপৰিও প্ৰায় ৩০খন মাদ্ৰাছা স্থাপন কৰিছিল য'ত ছাত্ৰ আৰু শিক্ষক একেলগে বাস কৰিছিল।

প্ৰতিখন মাদ্ৰাছাৰ বাবে একোজনকৈ স্থায়ী শিক্ষক নিযুক্তি দিয়া হৈছিল, যিবোৰ মছজিদৰ লগত সংলগ্ন আছিল আৰু লগতে আৰ্থিক সাহায্য আগবঢ়োৱা হৈছিল। জিয়াউদ্দিন বাৰ্ণি আৰু চাম্‌চে ছিৰাজ সেই সময়ৰ বিখ্যাত ব্যৱস্থাপক আছিল। ফিৰোজ শ্বাহে নিজেই নিজৰ আত্মজীৱনী ফাটুহট-ই-ফিৰোজশ্বাহ (Fatuhat-i-Firozshah) লিখি উলিয়ায়। তেখেতৰ বৃহৎ পুথিভঁৰালত সংস্কৃত ভাষাৰ ভালেমান মূল্যবান গ্ৰন্থ সংগৃহীত কৰি ৰাখিছিল। অসংখ্য কিতাপ পাৰ্চী ভাষালৈ অনুদিত কৰা হৈছিল। শিক্ষাৰ প্ৰতি থকা অগাধ অনুৰাগৰ বাবে সেই সময়ত মুছলমান, ৰাজনীতি ধৰ্ম, শিক্ষা আৰু সাহিত্যই বিশেষ অগ্ৰগতি লাভ কৰে। ফিৰোজ শ্বাহৰ মৃত্যুৰ পিছত বিভিন্ন সৰু সৰু প্ৰদেশৰ শাসকসকলে স্বাধীনভাৱে ৰাজ্য শাসন কৰে। তেওঁলোকেও শিক্ষা বিস্তাৰৰ বাবে যথেষ্ট বৰঙণি আগবঢ়ায়। দক্ষিণৰ ৰাজ্যসমূহত বাহমণি বংশই বহুতো মোক্তাব আৰু মাদ্ৰাছা স্থাপন কৰে। মাহমুদ গৱান নামৰ ব্যক্তিয়ে এখন ডাঙৰ মাদ্ৰাছাৰ সতে বৃহৎ পুথিভঁৰাল স্থাপন কৰে য'ত হাজাৰ হাজাৰ গ্ৰন্থ সংগ্ৰহ কৰি ৰখা হৈছিল। গাঁও অঞ্চলত স্থাপন কৰা মোক্তাৰসমূহৰ উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰ কৰাৰ লগতে মুছলমান শিক্ষাৰ প্ৰসাৰৰ ব্যৱস্থা কৰা। বাহমণি ৰজাসকলৰ ৰাজত্বকালত শিক্ষাব্যৱস্থা জাকত জিলিকা হৈ উঠে। বিজাপুৰ, গোলকুণ্ডা, মালৱা, খাণ্ডৱা, জৌনপুৰ, মূলতান, গুজৰাট আৰু বংগ শিক্ষাৰ বাবে কেন্দ্ৰস্থল হৈ পৰে। জৌনপুৰ কলা, সাহিত্য আৰু উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে বিখ্যাত হৈ পৰিছিল। কিছু আঢ্যবন্ত শ্ৰেণীয়েও প্ৰাথমিক আৰু ধৰ্মীয় শিক্ষা বিস্তাৰৰ উদ্দেশ্যে মোক্তাব প্ৰতিষ্ঠা কৰিছিল। কিছুমান জ্ঞানপিপাসু শিক্ষকে নিজ গৃহতে ছাত্ৰক শিক্ষা দিছিল।

উত্তৰ ভাৰতত বাবৰে নিজ সাম্ৰাজ্য স্থাপন কৰাৰ সময়ত শিক্ষাব্যৱস্থা নিম্নগামী হোৱা দেখা যায়। যদিও তেওঁ নিজেই এগৰাকী পণ্ডিত আছিল তথাপিও শিক্ষা প্ৰচাৰৰ বাবে তেওঁৰ অতি কম সময়ৰ ৰাজত্বকালত বিশেষ একো কৰা পৰিলক্ষিত হোৱা নাছিল। সম্ৰাট হুমায়ুনৰ ৰাজত্বকালত দিল্লীত এখন ডাঙৰ মাদ্ৰাছা স্থাপন কৰি শ্বেইখ হুছেইনক তাৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। দিল্লীত এটা পুথিভঁৰাল নিৰ্মাণ কৰাৰ উপৰিও ছেৰছাহৰ (Shershah) আৰামগৃহটো পুঁথিভৰাললৈ ৰূপান্তৰিত কৰে। হুমায়ুণৰ কবৰৰ ওপৰতত এখন মাদ্ৰাছা নিৰ্মাণ কৰা হয়। এই মাদ্ৰাছাত প্ৰখ্যাত পণ্ডিতসকল নিযুক্তি দি শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া কেন্দ্ৰ হিচাপে পৰিগণিত কৰে।

ছেৰছাহ চুৰী (Shershah Suri) য়ে নাৰনাউল (Narnaul) নামৰ এখন মাদ্ৰাছা স্থাপন কৰি সাধাৰণ লোকক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। এই শাসকসকলৰ দিনত মুছলমান শিক্ষাক একমাত্ৰ শিক্ষা বুলি অভিহিত কৰা হৈছিল। এই শিক্ষাব্যৱস্থাত কোৰাণ, পাঠ পঢ়া, আখৰ লিখা আৰু প্ৰাথমিক গণিতৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছিল।

হুমায়ুণৰ মৃত্যুৰ পিছত সম্ৰাট আকবৰে ৰাজ্যভাৰ গ্ৰহণ কৰে। এই সময়ছোৱা মধ্যযুগৰ শিক্ষাৰ এক নতুন অধ্যায় বুলি অভিহিত কৰিব পাৰি। তেওঁ যদিও নিৰক্ষৰ আছিল তথাপিও যথেষ্ট চোকাবুদ্ধিৰ আৰু দূৰদৃষ্টিসম্পন্ন ব্যক্তি আছিল। তেওঁৰ সময়ছোৱাত চাৰু কলা, সাহিত্য, দৰ্শন আৰু ইতিহাসৰ ক্ষেত্ৰত যথেষ্ট অধ্যয়ন হৈছিল। তেওঁ পণ্ডিত আৰু শিক্ষিত ব্যক্তিক যথেষ্ট সন্মান কৰিছিল আৰু ৰাজসভাত স্থান দিছিল। আকবৰৰ ৰাজসভাৰ নবৰত্নৰ ভিতৰত বীৰবল, তানচেন আদিৰ নাম উল্লেখযোগ্য। বিভিন্ন ধৰ্মৰ লোকক তেওঁ ৰাজসভালৈ আমন্ত্ৰণ জনাইছিল আৰু তেওঁলোকৰ লগত বিভিন্ন বিষয়ত আলোচনা কৰিছিল। প্ৰখ্যাত আবুল ফজল (Abul Fazl)ৰ পৰামৰ্শক্ৰমে তেওঁ সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে শিক্ষা পাঠ্যক্ৰম আৰু নীতি-নিয়ম স্থিৰ কৰিছিল। ৰাজ্যিক পৃষ্ঠপোষকতাত তেওঁ পৰম্পৰাগত শিক্ষাৰ বিকাশ সাধন কৰিছিল। বিভিন্ন ধৰ্ম আৰু দৰ্শনৰ পুথি সংগ্ৰহ কৰি তেওঁ চহৰসমূহত বৃহৎ পুথিভঁৰাল নিৰ্মাণ কৰিছিল। আগ্ৰা, ফটেহপুৰ চিক্ৰি আৰু আন আন ঠাইত মাদ্ৰাছা স্থাপন কৰিছিল। তেওঁ নিজেও সংস্কৃত ভাষাৰ শ্লোকসমূহ আনৰপৰা শুনিছিল আৰু পাৰ্চীলৈ অনুবাদ কৰাইছিল। আকবৰৰ আন ধৰ্মৰ প্ৰতি সহনশীলতাৰ মনোভাবৰ বাবে বহু হিন্দুয়েও ৰাজদৰবাৰত পদবী লাভ কৰিবলৈ পাৰ্চী আৰু আৰবী অধ্যয়ন কৰিছিল। আকবৰে হিন্দুৰ সন্তানৰ বাবেও স্কুলঘৰ নিৰ্মাণ কৰিছিল। তেওঁৰ ৰাজসভাৰ আবুল ফজলে পাৰ্চী ভাষাত 'আইন-ই-আকবৰী' আৰু 'আকবৰনামা' নামৰ দুখন বিখ্যাত গ্ৰন্থ ৰচনা কৰে য'ত তেওঁৰ ৰাজত্বকালৰ বিবৰণ পোৱা যায়। প্ৰসিদ্ধ কবি তুলসীদাস আৰু সুৰদাসেও সেই সময়ছোৱাতে কাব্য ৰচনা কৰে। তুলসীদাসৰ 'ৰমাচৰিত মানস' এক উল্লেখযোগ্য পুথি। বাৰাউনি আৰু নিজামুদ্দিন আকবৰৰ ৰাজসভাৰ প্ৰক্যাত বুৰঞ্জীবিদ আছিল। একমাত্ৰ আকবৰৰ সময়তে হিন্দু আৰু মুছলমান উভয়ে এক স্কুলতে পাঠগ্ৰহণ কৰিছিল। শিক্ষা লাভৰ বাবে হিন্দু ছাত্ৰকো মাদ্ৰাছাত নামভৰ্তি কৰিবলৈ অনুমতি দিয়া হৈছিল।

আকবৰৰ মৃত্যুৰ পিছত পুত্ৰ চেলিমে জাহাঙ্গীৰ নাম লৈ দিল্লীৰ ৰাজ্যভাৰ গ্ৰহণ কৰে। পিতৃৰ দৰে জাহাংগীৰেও শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৃষ্ঠপোষকতা কৰিছিল। শিল্প আৰু সাহিত্যৰ প্ৰতি তেওঁৰ যথেষ্ট অনুৰাগ থকা দেখা গৈছিল। তেওঁ ৰাজত্বকালত এটা নিয়ম প্ৰবৰ্তন কৰিছিল যে যদিহে কোনো চহকী ব্যক্তি নাইবা ভ্ৰমণকাৰী উত্তৰাধিকাৰী আবিহনে মৃত্যু বৰণ কৰে তেন্তে তেওঁলোকেৰ গৃহ-সম্পত্তি শিক্ষাৰ নামত অধিগ্ৰহণ কৰি মাদ্ৰাছা নিৰ্মাণ কৰা হ'ব। প্ৰায় ত্ৰিশ বছৰলৈ যিবোৰ চৰাই-চিৰিকতিৰ

বাসস্থান আৰু হাবি-জংঘলেৰে আবৰা স্থান হৈ পৰিছল সেইবোৰ মেৰামতি কৰি তেওঁ ছাত্ৰ-শিক্ষকৰ উপযোগীকৈ মাদ্ৰাছা নিৰ্মাণ কৰিছিল। ধৰ্ম বিষয়ত তেওঁ উদাৰ আছিল। তেওঁৰ আত্মজীৱনী জাহাংগীৰনামা এক উল্লেখযোগ্য গ্ৰন্থ। চেতাৰখাঁ (সঙ্গীতজ্ঞ), অংকশাস্ত্ৰবিদ মিৰ্জা ঘিয়াচ, বুৰঞ্জীবিদ নিয়মাতুল্লা, কবি বাবা তালিপ ইস্পাহানী তেওঁৰ ৰাজদৰবাৰৰ সদস্য আছিল। সেই সময়ত আগ্ৰা শিক্ষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ আছিল।

চাহজাহানে চাৰু কলা বিদ্যা যেনে সঙ্গীত, চিত্ৰকলা, ভাস্কৰ্য আদি শিল্পৰ পৃষ্ঠপোষকতা কৰিছিল যদিও শিক্ষা বিস্তাৰৰ দিশত চকুতলগা তেনে কোনো কাম কৰা নাছিল। তেওঁ অকল পূৰ্বপুৰুষৰ নীতিসমূহ বাহাল ৰাখিছিল। তেখেতে দিল্লীত এখন ডাঙৰ মাদ্ৰাছা স্থাপন কৰে আৰু আন এখন 'দাৰুল ৱাকি' (Darul Baqi) পুনৰ্নিমাণ কৰে। তেওঁ তুৰ্কী ভাষাত পণ্ডিত আছিল আৰু নিশাৰ ভাগত কিছু সময় পঢ়াশুনা কৰিছিল। চাহজাহানৰ পুত্ৰ দাৰা চিকো (Dara Sikoh) এগৰাকী নিপুন পণ্ডিত আছিল আৰু হিন্দু দৰ্শনৰ ওপৰত অগাধ দখল আছিল। দাৰা চিকোৰ আৰবী, পাৰ্চী আৰু সংস্কৃত ভাষাত বিশেষ ব্যুৎপত্তি আছিল। তেওঁ উপনিষদ, ভাগবত গীতা, যোগ-বশিষ্ঠ আৰু ৰামায়ণ আৰবী ভাষালৈ অনুবাদ কৰিছিল। তেওঁ চুফী সাহিত্যৰ ওপৰতো যথেষ্ট লিখা-মেলা কৰিছিল। কথিত আছে যে যদিহে দাৰা চিকো এগৰাকী শাসক হলহেঁতেন তেন্তে ভাৰতৰ শিক্ষা ইতিহাসত এক নতুন দিগন্তৰ সংযোজন হ'লহেঁতেন।

ইছলামীয় শিক্ষাই সাৰ্বজনীন ৰূপ লাভ কৰা নাছিল। শিক্ষা ব্যৱস্থা নিয়ন্ত্ৰণ আৰু সংগঠন কৰিবলৈ কোনো ৰাজ্যিক বোৰ্ড নাছিল। শিক্ষাত বিস্তাৰক একমাত্ৰ ধৰ্মীয় গণ্ডীৰ দৃষ্টিৰে বিবেচনা কৰা হৈছিল। শিক্ষাত ৰাজ্যিক পৃষ্ঠপোষকতা এক দান বুলি গণ্য কৰা হৈছিল। চাহজাহানৰ ৰাজত্বকালত বাৰ্ণিয়াৰ (Bernier) নামৰ ফ্ৰান্স ভ্ৰমণকাৰীগৰাকীয়ে ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাৰ ওপৰত বিৰূপ মন্তব্য কৰি গৈছে। তেওঁ ভাৰতৰ শিক্ষাব্যৱস্থাক ইউৰোপৰ উন্নত শিক্ষাব্যৱস্থাৰ লগত তুলনা কৰি এনে মন্তব্য কৰা যেন অনুমান কৰিব পাৰি। প্ৰাচীন ভাৰতৰ উচ্চ দৰ্শনক তেওঁ উলাই কৰি গৈছে।

ঔৰংগজেব হিন্দু সভ্যতা আৰু শিক্ষাৰ প্ৰধান বিৰোধী আছিল। তেওঁৰ দিনত মঠ-মন্দিৰসমূহ ধ্বংস কৰি তাৰ ওপৰত মছজিদ, মোক্তাব আৰু মাদ্ৰাছা নিৰ্মাণ কৰা হৈছিল। তেওঁৰ মতে একমাত্ৰ ইছলামীয় শিক্ষাহে শিক্ষাৰ একমাত্ৰ মাধ্যম হোৱা উচিত আৰু সেয়েহে ইছলামীয় শিক্ষাৰ বাবে পৰ্যমানে সাহায্য প্ৰদান কৰা উচিত। ইলিয়ট (Illiot) য়ে মিৰাট-ই-আলম (Mirat-i-Alam) ৰ উদ্ধৃতি হিচাপে কৈছিল যে তেওঁৰ সাম্ৰাজ্যৰ ভিতৰত সকলো মছজিদ ৰাজহুৱা ধৰণপৰা পোৱা সাহায্যৰদ্বাৰা মেৰামতি কৰা হৈছিল, তাত ইমামসকলে দৈনন্দিন প্ৰাৰ্থনা কৰিছিল আৰু বিভিন্ন ধৰ্মীয় কাৰ্যৰ বাবে ৰাজহুৱা ধনৰ এক বৃহৎ অংক খৰচ কৰা হৈছিল। এই বৃহৎ দেশৰ সকলো নগৰ আৰু মহানগৰত পণ্ডিত ব্যক্তি,

অধ্যাপক আৰু উচ্চশিক্ষিত ব্যক্তিৰ বাবে সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা আছিল।

ঔৰংগজেবৰ ঠেক আৰু ধ্বংসকামী মনোবৃত্তি থকা সত্বেও তুৰ্কী, আৰবী আৰু পাৰ্চী ভাষাত বিদগ্ধ পণ্ডিত আছিল। কোৰাণৰ হাদিচসমূহ তেওঁৰ জিভাৰ আগত আছিল। তেওঁৰ দিনত শিক্ষাৰ গুণগত আৰু পৰিমাণগত উভয় দিশত বৃদ্ধি হৈছিল। পাঠ্যক্ৰম সংশোধন কৰি ব্যৱহাৰিক শিক্ষা প্ৰদান কৰাত তেওঁ গুৰুত্ব দিছিল। পুথিভঁৰালসমূহ ইছলাম ধৰ্মৰ পুথিৰে চহকী কৰিছিল।

## শিক্ষা প্ৰদানৰ ব্যৱস্থাসমূহ (Provisions of Education) ঃ

### প্ৰাথমিক শিক্ষা (মোক্তাৱ) [Primary education (Maktabs)] ঃ

মুছলমান শিক্ষা ব্যৱস্থাৰে প্ৰাথমিক শিক্ষাৰ কেন্দ্ৰসমূহক মোক্তাব হিচাপে অভিহিত কৰা হৈছিল। এটি শিশুৰ চাৰি বছৰ চাৰি মাহ চাৰি দিনত 'বিছমিল্লাহ' অনুষ্ঠানেৰে প্ৰথম শিক্ষাৰম্ভ কৰা হৈছিল।

**(১) সংগঠন (Organisation)** ঃ প্ৰাথমিক শিক্ষাদানৰ মুখ্য উদ্দেশ্যে আছিল ল'ৰা-ছোৱালীক আখৰ আৰু ধৰ্মীয় প্ৰাৰ্থনাৰ শিক্ষা দিয়া। মোক্তাবসমূহত ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা আছিল। মোক্তাব শব্দ 'কুটুব' (Kutab) নামৰ আৰবী শব্দৰপৰা সৃষ্টি হৈছে য'ত লিখিবলৈ একগোট হোৱা যায়। মোক্তাবসমূহ মছজিদৰ সংলগ্ন আছিল। ইয়াতেই শিশুক প্ৰাথমিক শিক্ষা দিয়া হৈছিল। যদিও কিছুসংখ্যক আঢ্যবন্ত লোকে ঘৰতে শিক্ষক নিযুক্তি দি ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল, তথাপিও বেছিভাগেই মোক্তাবত শিক্ষা লাভ কৰিছিল। তদুপৰি খানকাহ (Khanquah) আৰু দৰগাহ (Dargah) সমূহতো শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। মৌলবীসকলক এই পবিত্ৰ অনুষ্ঠানবোৰত শিক্ষা দিবলৈ নিয়োগ কৰা হৈছিল। তেওঁলোকক প্ৰয়োজনীয় অৰ্থসাহায্য প্ৰদান কৰা হৈছিল।

**(২) নামভৰ্তিৰ ব্যৱস্থা (Admission)** ঃ 'বিচমিল্লাহ' নামৰ এক অনুষ্ঠানেৰে প্ৰথম বিদ্যাৰম্ভ কৰা হৈছিল। এটি শিশুৰ চাৰি বছৰ, চাৰি মাহে আৰু চাৰি দিনত পৰিয়ালৰ আত্মীয়-স্বজন একগোট হৈ শিশুটিক ভাল কাপোৰ এসাজ পিন্ধাই সকলোৰে আগত আসনত বহুওৱা হৈছিল। কোৰণৰ কিছু পাঠ শিশুটিক পঢ়ি শুনোৱাৰ পিছত পুনৰবাৰ আওৰাব দিয়া হৈছিল। কিন্তু শিশুটিয়ে আওৰাবলৈ অসমৰ্থ হ'লে 'বিচমিল্লাই' শব্দৰে বিদ্যাৰম্ভ কৰা হৈছিল।

**(৩) পাঠ্যক্ৰম (Curriculum)** ঃ পাঠ্যক্ৰম হিচাপে আৰবী আৰু পাৰ্চী ভাষা লিখিবলৈ আৰু পঢ়িবলৈ শিকোৱা হৈছিল। সৈনিকৰ দৰে শাৰিৰীক গঠনৰ বাবে কিছু শাৰিৰীক ব্যায়াম শিকোৱা হৈছিল। প্ৰত্যেক বিষয় যুক্তিসংগতভাৱে চিন্তা কৰি শিকিবলৈ গুৰুত্ব দিয়া হৈছিল। লিখা, পঢ়া আৰু হাতৰ আখৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। প্ৰাথমিক গণিত আৰু ধৰ্মীয় শিক্ষাৰ ওপৰতো গুৰুত্ব দিয়া হৈছিল। হিন্দু ছাত্ৰকো মোক্তাবত পাৰ্চী ভাষা শিকোৱা হৈছিল। যদিও পাৰ্চী বৰ্ণমালা মূল বিষয় আছিল তথাপিও উৰ্দু ভাষাৰ ওপৰতো সমানেই গুৰুত্ব দিয়া হৈছিল।